# Course 502

## ব্লক - 2

## শিকন-শিক্ষণ প্ৰক্ৰিয়াৰ ব্যৱস্থাপনা

## গোট - 5



টোকা

## গোট - ৫ ঃ শ্ৰেণীকোঠা/কক্ষ প্ৰক্ৰিয়াৰ ব্যৱস্থাপনা

# গাঁথনি

৫.০ পাতনি

৫.১ শিকন উদ্দেশ্য

৫.২ শিকন পৰিৱেশৰ ব্যৱস্থাপনা

৫.২.১ ছাত্ৰ-ছাত্ৰীৰ সৈতে বন্ধুত্বপূৰ্ণ পৰিৱেশ সৃষ্টি কৰি

৫.২.২ স্ব-শিকনৰ ব্যৱস্থাপনা

৫.২.৩ দলীয় শিকনৰ ব্যৱস্থাপনা

৫.৩ শিক্ষণ আৰু শিকনৰ বাবে সময় আৰু ঠাইৰ ব্যৱস্থাপনা

৫.৩.১ সময়ৰ ব্যৱস্থাপনা

৫.৩.২ শ্ৰেণী কোঠাত ঠাইৰ ব্যৱস্থাপনা

৫.৩.৩ কাৰ্যকলাপ ভিত্তিক শ্ৰেণীকোঠাত বহাৰ সাজোন প্ৰণালী

৫.৪ অভিৰোচন আৰু শৃংখলাবদ্ধতাৰ বাবে ব্যৱস্থাপনা

৫.৪.১ ছাত্ৰ-ছাত্ৰীক অভিৰোচিত কৰাৰ বাবে ব্যৱস্থাপনা

৫.৪.২ শ্ৰেণীকোঠাত শৃংখলাবদ্ধতাৰ বাবে ব্যৱস্থাপনা

৫.৫. এগৰাকী ব্যৱস্থাপক হিচাপে শিক্ষকৰ ভূমিকা।

৫.৫.১ RTE আইন আৰু শিক্ষকৰ ভূমিকা

৫.৬ আমি কি শিকিলোঁ।

৫.৭ অগ্ৰগতি নিৰীক্ষণৰ বাবে আৰ্হি উত্তৰ।

৫.৮ পৰামৰ্শমূলক পঠন আৰু প্ৰাসংগিকতা

৫.৯ শেষ অনুশীলনীৰ গোট।



টোকা

# ৫.০ পাতনি

শিকনৰ বিষয়ে জানিবলৈ শিক্ষণ আৰু শিকনৰ বিভিন্ন পদ্ধতি আৰু ক্ৰিয়া-কলাপ ভিত্তিক শিকন কেন্দ্ৰিক উপস্থাপন (approach) শ্ৰেণীকোঠাত প্ৰয়োগ কৰিবলৈ যথেষ্ট নহয়; আপোনাৰ কেবল বিভিন্ন পদ্ধতি আৰু উপস্থাপনৰ (approach)ৰ জ্ঞান থাকিলেই যথেষ্ট নহয় বৰং বাস্তৱ শ্ৰেণীকোঠাৰ অৱস্থাৰ জ্ঞানৰ ব্যৱহাৰৰ বাবে কৌশলো থাকিব লাগিব। বাঞ্ছিত কৌশল ব্যৱহাৰ কৰাৰ ক্ষেত্ৰত আপুনি সন্মুখীন হ'ব পৰা অসুবিধাবোৰ অনুমান কৰিব পাৰিবনে?

তলৰ ব্যৱস্থাটো পঢ়ক।

**অৱস্থা/পৰিৱেশ - ১**

যেতিয়া মিঃ বিবেকে প্ৰয়োজনীয় সকলো সামগ্ৰী লগত লৈ ভালকৈ প্ৰস্তুত কৰা কাৰ্যকলাপৰ সৈতে ভূগোল শিকাবলৈ ষষ্ঠ শ্ৰেণীত সোমাইছিল, তেওঁ এটা অশান্ত /গণ্ডগোলীয়া শ্ৰেণীৰ সন্মুখীন হৈছিল। দুজন ছাত্ৰই পৰস্পৰে যুদ্ধ কৰি আছিল আৰু অইন ছাত্ৰ-ছাত্ৰীবোৰে চিঞঁৰ-বাখৰ লগাই আছিল আৰু যুঁজি থকা ছাত্ৰ দুজনক আইনে ধমকি দি আছিল, শ্ৰেণী কোঠাটোত কাগজ, কিতাপ আৰু টোকাবোৰ চেদেলি ভেদেলি হৈ গৈছিল। ফুটা চালৰ পৰা বৰষুণৰ পানী পৰি আছিল। শ্ৰেণীটো সম্পূৰ্ণৰূপে বিশৃংখল হৈ গৈছিল। তেখেতে ছাত্ৰ-ছাত্ৰীসকলক শান্ত কৰিবলৈ চেষ্টা কৰিছিল আৰু কেইজনমান ছাত্ৰই জনাইছিল যে শ্ৰেণীকোঠাটো তিতি গৈছিল আৰু সিহঁতৰ বহা ঠাইবোৰৰো তিতি গৈছিল। এই অৱস্থাবোৰৰ পৰিপ্ৰেক্ষিতত মিঃ বিবেকে কোঠাটো ঠিক কৰিবলৈ চেষ্টা কৰিছিল। কিছুমান ছাত্ৰ-ছাত্ৰীয়ে ভুগোল শিকোৱাৰ পৰিবৰ্তে সাধু কথা ক'বলৈ কৈছিল।

এতিয়া আপোনালোকে অনুমান কৰিব পাৰে যে মিঃ বিবেকে-

- ছাত্ৰ-ছাত্ৰীসকলৰ মাজত বিশৃংখলতা দেখা পাইছিল।
- ছাত্ৰসকল ভূগোলৰ প্ৰতি বিৰক্ত আছিল।

এনেধৰণৰ সমস্যা বা বলপূৰ্বক ঘটনা বহু ঘটিব পাৰে। বহুতো মৌলিক প্ৰয়োজন যেনে উপযুক্ত পৰিৱেশ আৰু যথোপযুক্ত শিক্ষণ-শিকন সামগ্ৰী, ছাত্ৰ আৰু ছাত্ৰৰ মাজত আৰু ছাত্ৰ-শিক্ষকৰ মাজত থকা সম্বন্ধ, আনন্দদায়ক শিক্ষণ-শিকন পদ্ধতি, আৰু ছাত্ৰ-ছাত্ৰীসকলৰ মাজত থকা শৃংখলাই শ্ৰেণীকোঠাৰ প্ৰক্ৰিয়াবোৰত বিশৃংখল সৃষ্টি কৰিব পাৰে। ৪০ জনীয়া ছাত্ৰৰ এটা শ্ৰেণীত শিকনৰ প্ৰয়োজনৰ ওপৰত ভিত্তি কৰি বহু সমস্যা (মনৰ/আবেগিক/সমস্যা), শ্ৰেণীকোঠাৰ ভিতৰে বাহিৰে থকা চাপ আৰু অন্যান্য এনেধৰণৰ সমস্যাই দেখা দিব পাৰে। হ'লেও প্ৰত্যেক শ্ৰেণীতে শিক্ষক এগৰাকীয়ে এনে কিছুমান একক সমস্যাসমূহৰ সন্মুখীন হয়, যিবোৰে শ্ৰেণীকোঠাৰ পৰিৱেশ বিনষ্ট কৰে আৰু পৰিকল্পিত। পদ্ধতি আৰু কৌশলবোৰত বাৰুকৈয়ে বাধা দিব।



টোকা

আপুনি আপোনাৰ শ্ৰেণীৰ বিষয়ে ভাবক আৰু প্ৰায়ে আপোনাৰ শ্ৰেণীত বাধা দিয়া দুটা কাৰক লক্ষ্য কৰক।

কোনো বিষয়বস্তু আৰু শিক্ষণৰ প্ৰক্ৰিয়া সন্দৰ্ভত ব্যৱস্থাপনা কৌশলবোৰৰো প্ৰয়োজন। শ্ৰেণীকোঠাৰ শিক্ষণৰ ভাল ফলাফলে শ্ৰেণীকোঠা এটাৰ প্ৰত্যেক ছাত্ৰৰে ফলপ্ৰসূ শিকনত সহায় কৰে আৰু এইটো শিক্ষকজনৰ শ্ৰেণীকোঠাৰ ফলপ্ৰসূ ব্যৱস্থাপনা কৌশলৰ ওপৰত নিৰ্ভৰ কৰে। এগৰাকী শিক্ষক হিচাপে প্ৰত্যেক ছাত্ৰই শিকিবলৈ আৰু বুজিবলৈ সুবিধা পাব পৰাকৈ আপুনি শ্ৰেণীকোঠা এটাৰ ব্যৱস্থাপনাৰ কৌশলসমূহৰ বিকাশ কৰাৰ প্ৰয়োজন। এটা ফলপ্ৰসূ শ্ৰেণীকোঠা ব্যৱস্থাপনাৰ বহুতো দিশ আছে— যেনে শিকনৰ বাবে উপযুক্ত পৰিৱেশ স্থাপন কৰা, প্ৰত্যেক ছাত্ৰ-ছাত্ৰীকে অংশগ্ৰহণ কৰিবলৈ উৎসাহ যোগোৱা, শ্ৰেণী কোঠাত পাৰস্পৰিক (ভাৱৰ) আদান প্ৰদান কৰা, সুস্থ বাতাবৰণেৰে সু-সম্পৰ্ক স্থাপন কৰি শিকনৰ বিষয়বস্তুৰ ওপৰত ধীৰভাৱে উপস্থাপনৰ বৰস্থাপনা কৰা, বিশৃংখলতাৰ লগত জড়িত সমস্যাবোৰ সমাধা কৰা ইত্যাদি। প্ৰত্যেক ছাত্ৰ/ছাত্ৰীৰ প্ৰয়োজন আৰু সামৰ্থ অনুসৰি ছাত্ৰ-ছাত্ৰীৰ শিকন উন্নীত কৰিবলৈ উপযুক্ত কাৰ্যকলাপৰ জৰিয়তে শ্ৰেণীকোঠাৰ ব্যৱস্থাপনাৰ বাবে পৰিকল্পনা, নিয়ন্ত্ৰণ আৰু পাৰস্পৰিক আদান প্ৰদান কৰাৰ সামৰ্থ শিক্ষক এগৰাকীৰ থকাটো প্ৰয়োজন।

এই গোটটোত আমি শ্ৰেণীকোঠা ব্যৱস্থাপনাৰ তিনিটা দিশ চাম/বুজিম, যেনে- ছাত্ৰ/ ছাত্ৰীক শিকনৰ স্তৰ উন্নীত কৰিবৰ বাবে প্ৰত্যেক ছাত্ৰকে উৎসাহ যোগাবলৈ বিভিন্ন অৱস্থাবোৰ উন্নীত কৰি; ছাত্ৰ-ছাত্ৰীক শিকনৰ প্ৰতি সামৰ্থ কৰিবলৈ শ্ৰেণীকোঠাত উপযুক্ত সময় আৰু ঠাই ব্যৱহাৰ কৰি আৰু শিকনৰ প্ৰতি গুৰুত্ব দিবলৈ ছাত্ৰ-ছাত্ৰীৰ মাজত শৃংখলা বজাই ৰাখিবলৈ আৰু অভিৰোচনৰ বিভিন্ন উপায় বুজি।

## ৫.১ শিকন উদ্দেশ্য ঃ

এই গোটটো শেষ কৰাৰ পিছত আপুনি

- ছাত্ৰ-ছাত্ৰীয়ে শিকিবলৈ প্ৰয়োজনীয় শিকন পৰিৱেশৰ বিকাশ কৰিব পাৰিব।
- শ্ৰেণীকোঠাত ফলপ্ৰসূ শিকন পাবলৈ ছাত্ৰ-ছাত্ৰীক উপযুক্তভাৱে দলত ভাগ কৰিব পাৰিব।
- আপোনাৰ শ্ৰেণীকোঠাত ব্যক্তিগত শিকন আৰু দলগত শিকনৰ ব্যৱস্থা কৰিব পাৰিব।
- ছাত্ৰ-ছাত্ৰীৰ শিকনৰ বাবে শ্ৰেণীকোঠাত উপযুক্ত ঠাই আৰু সময় ব্যৱহাৰ কৰাৰ বাবে পৰিকল্পনা কৰিব পাৰিব।

টোকা

- শ্ৰেণীকোঠাত শিকনৰ ক্ৰিয়া-কলাপভিত্তিক পাঠদানৰ বাবে কৰা বিভিন্ন কাৰ্য কৰিবলৈ বহাৰ বাবে বিভিন্ন ব্যৱস্থা কৰিব পাৰিব।
- ছাত্ৰ-ছাত্ৰীক শিকনৰ বাবে অভিৰোচন কৰিব আৰু শিকন কাৰ্যৰ সু পৰিচালনাৰ বাবে ছাত্ৰ-ছাত্ৰীক অভিৰোচিত কৰিব পাৰিব।

## ৫.২ শিকন পৰিৱেশৰ ব্যৱস্থাপনা

শ্ৰেণীকোঠাত প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীকে শিকিবলৈ উৎসাহিত কৰাৰ বাবে পৰিৱেশ সৃষ্টি কৰা আৰু উৎসাহিত কৰাটো মূল কথা আৰু এগৰাকী শিক্ষক হিচাপে হয়তো আপুনিও এইটো কৰিবলৈ আশা কৰিব।

আমি আমাৰ শ্ৰেণীকোঠাবোৰ চাওঁ আহক আৰু শ্ৰেণী কোঠাবোৰত ছাত্ৰ-ছাত্ৰীৰ শিকনৰ বাবে ভাল লগা পৰিৱেশ সৃষ্টি কৰাৰ কথা ভাবোঁ আৰু শ্ৰেণী কোঠাৰ পৰিৱেশৰ বিভিন্ন উপাদান চিনাক্ত কৰিবলৈ চেষ্টা কৰোঁ আহক।

এটা শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ এটা দলত বেছিভাগেই একে বয়সৰ ছাত্ৰ-ছাত্ৰী থাকে আৰু এগৰাকী শিক্ষকে এই ছাত্ৰ-ছাত্ৰীসকলক শিকাবলগীয়া হয়। ছাত্ৰ-ছাত্ৰীৰ শিকন তেখেতে পৰিচালনা কৰে। এগৰাকী শিক্ষকে তেখেতৰ ছাত্ৰ-ছাত্ৰীখিনিক ভালকৈ জানে। স্বাভাৱিকতে বিদ্যালয়ৰ এটা কোঠা বিশেষভাৱে, সুবিধাজনক হোৱাকৈ সজা হয় আৰু তাকেই শ্ৰেণীকোঠা বোলে। আদৰ্শগতভাৱে প্ৰত্যেক শ্ৰেণীৰ বাবে এটা সু-কাৰ্য শ্ৰেণীকোঠা বা প্ৰতিটো শ্ৰেণীৰ বাবে শাখা থকা উচিত। যি নহওক বহু বিদ্যালয়ত আপুনি পাব যে শ্ৰেণী সংখ্যাতকৈ শ্ৰেণীকোঠা কম আছে। এনেধৰণৰ বিদ্যালয়তে এটা কোঠা, এটাতকৈ বেছি শ্ৰেণীৰ বাবে ব্যৱহাৰ কৰা হয় (গোট-৭ বহু গ্ৰেডৰ শ্ৰেণীৰ বাবে)

শিক্ষক আৰু ছাত্ৰৰ বাহিৰেও এটা শ্ৰেণীকোঠাৰ পৰিবেশত থকা অন্য উপাদানবোৰ কি হ'ব পাৰে ভাবিছে নে?

১নং অৱস্থালৈ/পৰিৱেশলৈ মন কৰক, য'ত মিঃ বিবেকে শিকাবলৈ গৈছিল ৰুমটোৰ চালখন ফুটা আছিল, মজিয়া আৰু আসনবোৰ তিতা আছিল আৰু সামগ্ৰীবোৰ শ্ৰেণীত সিঁচৰতি হৈ আছিল। নিশ্চিতভাৱে ছাত্ৰ-ছাত্ৰীসকলে কোনো কাৰ্য কৰিবলৈ শ্ৰেণীটো উপযোগী নাছিল। মিঃ বিবেকৰ ক্ষেত্ৰত যদি আপুনি হ'লেহেঁতেন কি কৰিলেহেঁতেন? নিশ্চয়কৈ আপুনি আপোনাৰ শ্ৰেণীকোঠাৰ বাবে আৰামদায়ক, নিৰাপত্তা আৰু নিৰাপদ, নিশ্চিত কৰিবলৈ যত্ন ল'ব আৰু আৰামদায়ক ব্যৱস্থা ল'বলৈ যত্ন ল'ব। এইবোৰৰ শ্ৰেণীকোঠা এটাৰ ভৌতিক পৰিৱেশৰ লগত সম্পৰ্ক আছে, যিবোৰ ছাত্ৰ-ছাত্ৰীক নিৰাপত্তা দিবলৈ আৰু আৰাম দিবলৈ প্ৰয়োজন। শ্ৰেণীকোঠাৰ ভৌতিক



টোকা

পৰিৱেশৰ ভিতৰত শ্ৰেণীকোঠাত উপলব্ধ সমল সামগ্ৰীকো অন্তৰ্ভুক্ত কৰা হয় আৰু এইবোৰ শিকন প্ৰক্ৰিয়াত ছাত্ৰ-ছাত্ৰী আৰু শিক্ষকে ব্যৱহাৰ কৰিব পাৰে।

ধৰা হওক, আপোনাৰ এটা সুন্দৰ ভৌতিক অৱস্থাযুক্ত শ্ৰেণীকোঠা আছে, আপুনি আৰু ছাত্ৰ-ছাত্ৰীয়ে ব্যৱহাৰ কৰিবৰ বাবে প্ৰয়োজনীয় যথেষ্ট সামগ্ৰীৰ শ্ৰেণীকোঠাটোত আছে, এনে ধৰণৰ অনুকূল অৱস্থা থকা সত্বেও, আপুনি ছাত্ৰ-ছাত্ৰীসকলক শ্ৰেণীত কাজিয়া কৰি থকা দেখিব আৰু আপুনি এই বিষয়ত খুবেই হতাশ হ'ব। নিশ্চয়কৈ আপোনাৰ শ্ৰেণী কোঠাৰ এনে অৱস্থাবোৰ শিক্ষণ-শিকন প্ৰক্ৰিয়া চলি থকাৰ বাবে সুবিধাজনক নহয়। সেইবাবে, এটা শিশুৰ বন্ধুসুলভ পৰিৱেশ সৃষ্টি কৰিবলৈ এই তিনিটা দিশৰ ওপৰত যত্ন ল'ব লাগে।

## E. ১. শ্ৰেণীকোঠাৰ পৰিৱেশৰ তিনিটা মূল উপাদানৰ নাম কওক আৰু আলোচনা কৰক

## ৫.২.১ শিশু-বন্ধুত্ব সুলভ পৰিৱেশ সৃষ্টি কৰি ঃ

শ্ৰেণীকোঠাৰ পৰিৱেশ এনেধৰণৰ হোৱা উচিত যাতে প্ৰতিগৰাকী ছাত্ৰ/ছাত্ৰীয়ে আৰাম, আনন্দ অনুভৱ কৰে আৰু শিকনৰ বাবে সি/তাই এই সুবিধাবোৰ ব্যৱহাৰ কৰাৰ বাবে অনুপ্ৰাণিত হোৱাৰ কথাটো অনুভৱ কৰিব পাৰে।

শ্ৰেণীকোঠাৰ ব্যৱস্থাপনাৰ ক্ষেত্ৰত সম্ভৱপৰ তিনিধৰণৰ ব্যৱস্থা আছে— কৰ্মহীন, অপৰ্যাপ্ত আৰু নিয়মিত।

- **কৰ্মহীন/বিফল শ্ৰেণীকোঠাৰ পৰিৱেশ-**

  প্ৰায় বিশৃংখল হয়। শিক্ষকজনে শ্ৰেণীকোঠা নিয়ন্ত্ৰণ কৰিবলৈ একেৰাহে কষ্ট কৰিবলগীয়া হয়। এনে অৱস্থাত খুব কম শিকন হে হ'ব পাৰে। প্ৰকৃততে শিকনৰ বিষয়ে ক'বলৈ গ'লে এই পৰিৱেশত শ্ৰেণীকোঠাটো বিফল/কৰ্মহীন হয় বা মুঠেই ফলদায়ক নহয়।

- **অপৰ্যাপ্ত শ্ৰেণীকোঠাৰ পৰিৱেশে** এটা মূল নিয়মৰ স্তৰহে দেখুৱায় কিন্তু শিক্ষকজনে এই পৰিৱেশতো কষ্ট কৰিবলগীয়া হয়। এই ধৰণৰ পৰিৱেশত কিছু শিকন হয়।

- নিয়মিত শ্ৰেণীকক্ষৰ পৰিৱেশ সাধাৰণতে দুই ধৰণৰ, যেনে- সীমাবদ্ধতা আৰু সামৰ্থতা।



টোকা

- **নিয়মিত/নিয়মযুক্ত সীমাবদ্ধতা থকা শ্ৰেণীকোঠাৰ শিকন পৰিৱেশ হ'ল-**

  য'ত শিক্ষকে এটা উচ্চ পৰ্যায়ৰ গাঁথনি পৰিচালনা কৰে, ৰুটিন (সময়সূচী) ঠিকভাৱে ব্যৱস্থাপনা কৰে আৰু কম নিৰ্দেশনামূলক পদ্ধতি ব্যৱহাৰ কৰে। এই ক্ষেত্ৰত কপকপীয়া শৃংখলাবদ্ধ ব্যৱস্থাৰ জৰিয়তে শ্ৰেণীকোঠা পৰিচালনা কৰাটোৱে শিক্ষকৰ প্ৰধান কাম।

- বৰ্তমান সুপৰিচালিত শ্ৰেণীত নিয়মযুক্ত, শিকন পৰিৱেশৰ সামৰ্থ পোৱা যায় য'ত তুলনামূলকভাৱে আগতকৈ সোলোক ঢোলোক গাঁথনি পোৱা যায়। এনেধৰণৰ শ্ৰেণীকোঠাবোৰত শিক্ষকে বিস্তৃত পৰিসৰৰ সময়সীমা আৰু নিৰ্দেশনামূলক পদ্ধতি ব্যৱহাৰ কৰে আৰু ছাত্ৰ-ছাত্ৰীয়ে বিষয়বস্তুৰ আৰ্থোদ্ধাৰ কৰিব পৰাত গুৰুত্ব দিয়া হৈছে।

(Educational Research Service 1993)

ওপৰৰ আলোচনাৰ পৰা তলত দিয়া প্ৰশ্নটোৰ উত্তৰ কৰা।

---

## E.১. ছাত্ৰ-ছাত্ৰীৰ শিকনৰ বাবে কেনেধৰণৰ শ্ৰেণীকোঠাৰ পৰিৱেশ বেছি বন্ধুসুলভ আৰু ফলপ্ৰসূ হয় আৰু কিয় হয়?

---

এটা সামৰ্থপূৰ্ণ শিকন পৰিৱেশ সৃষ্টি কৰিবলৈ আপোনাৰ শ্ৰেণীকোঠা উপযুক্ত ভৌতিক অৱস্থাৰ বাবে যত্ন ল'বলৈ আপোনাক কি কি প্ৰয়োজন?

- **শ্ৰেণীকোঠাৰ ভৌতিক পৰিৱেশ ঃ**

এটা ভাল শ্ৰেণীকোঠা শিক্ষক আৰু ছাত্ৰৰ বাবে ঘৰৰ পৰা আঁতৰত থকা ঘৰৰ নিচিনা। এইদৰে শ্ৰেণীকোঠা এটা নিৰাপদ, শংকাহীন, আকৰ্ষণীয় আৰু সক্ৰিয় হোৱা উচিত, বয়সৰ উপযুক্ততা অনুসৰি শ্ৰেণীকোঠাৰ কাৰ্যৰ ধৰণ অনুসৰি ছাত্ৰ আৰু শিক্ষকে কাৰ্যৰ ওপৰত নিৰ্ভৰ কৰি গ্ৰেড দিয়া উচিত।

এটা শ্ৰেণীকোঠাৰ পৰিৱেশে শ্ৰেণীকোঠাৰ দৰে কেৱল এটা অংশৰ লগতহে সম্পৰ্ক ৰাখে। এটা শ্ৰেণীৰ ভৌতিক পৰিৱেশ মানে শ্ৰেণীকোঠাৰ ছাত্ৰ-ছাত্ৰী আৰু শিক্ষকৰ প্ৰকৃতিক বুজায়।

- **শ্ৰেণী কোঠাৰ ভৌতিক অৱস্থাসমূহ ঃ**

শ্ৰেণীকোঠাৰ ভৌতিক অৱস্থাই আচবাবৰ উপলব্ধতা আৰু সেইবোৰৰ উপযুক্ত পৰিচালনা বুজায়। শ্ৰেণীকোঠা এটাৰ চালৰ কোনো ফুটা নথকাকৈ পকা বিল্ডিং ঘৰৰ এটা অংশ হোৱা প্ৰয়োজন। বেৰ আৰু মজিয়াবোৰ ঠিকমতে প্লাষ্টাৰ কৰা হ'ব লাগে। ছাত্ৰ-

টোকা

ছাত্ৰীৰ আঘাত কৰাকৈ ধাৰ থকা হ'ব নালাগে। শ্ৰেণীকোঠাত বতাহ সোমাব পৰাৰ বহু ব্যৱস্থা থাকিব লাগে যাৰ বাবে কোঠাৰ পৰিৱেশ ছাত্ৰ-ছাত্ৰীৰ বাবে আৰামদায়ক উপযুক্ত আৰু মনোমোহা হয়। এই অৱস্থাবোৰৰ অভাৱ হ'লে ছাত্ৰ-ছাত্ৰীৰ মনোযোগত প্ৰভাৱ পৰিব। শ্ৰেণীকোঠাৰ বাহিৰত থকা গছ গছনিবোৰ বতাহ নিৰ্মল কৰাৰ বাবে সুন্দৰ হ'ব লাগে আৰু বাহিৰৰ পৰা চালে শ্ৰেণীকোঠাৰ ভিতৰৰ পৰিবেশটো ভাল দেখা হ'ব লাগে। শ্ৰেণীকোঠাত দলগত কাৰ্য পৰিচালনাৰ বাবে ঠাই যথেষ্ট (আহল-বহল) হ'ব লাগে। সদায় মনত ৰাখিব লাগে যে শ্ৰেণীকোঠাৰ পৰিৱেশ ছাত্ৰ-ছাত্ৰীৰ বাবে যাতে সুবিধাজনক আৰু নিৰাপদ হয়।

অন্য দৰকাৰী দিশ-যিটোলৈ আমি বেছি মন নিদিও, সেইটো হ'ল শ্ৰেণীকোঠাৰ ভৌতিক অৱস্থাৰ উপযুক্ত পৰিচালনা। যেতিয়া বেৰ আৰু মজিয়াত অলপ ক্ষতি হয় সেইবোৰ লক্ষ্য কৰি তাৎক্ষণিকভাৱে মেৰামতি কৰাৰ প্ৰয়োজন। শ্ৰেণীকোঠা পৰিষ্কাৰ পৰিচ্ছন্ন হ'ব লাগে। এই পৰিষ্কাৰ-পৰিচ্ছন্নতাই শ্ৰেণীকোঠাৰ সুস্বাস্থ্য নিশ্চিত কৰাই নহয় বৰং ই প্ৰাক্ (আদি) অৱস্থাৰ পৰা ব্যক্তিগত স্বাস্থ্যৰ অভ্যাসবোৰৰো বিকাশ সাধন কৰিব। শ্ৰেণীকোঠাৰ পৰিষ্কাৰ পৰিচ্ছন্নতা পৰিচালনা কৰিবলৈ, বিদ্যালয়ৰ কাৰ্য আৰম্ভ হোৱাৰ আগতে আৰু বিদ্যালয় শেষ হোৱাৰ পিছত ছাত্ৰ-ছাত্ৰীসকলক নিয়মিতভাৱে শ্ৰেণীকোঠা পৰিষ্কাৰ কৰিবলৈ দিয়াত আপুনি সক্ৰিয় ভূমিকা ল'ব পাৰে। শ্ৰেণী চলি থকা সময়ত কাগজ, পাত, ফুল, চক পেঞ্চিল, ভঙা টুকুৰা আদিৰ দৰে বৰ্জনীয় পদাৰ্থবোৰ— যিবোৰ শিকন কাৰ্যত ব্যৱহাৰ কৰি কোঠাৰ মজিয়াত বা চাৰিওফালে পেলাই দিয়া হয়। সেইবোৰ যদি আপুনি শ্ৰেণীকোঠাৰ ভিতৰত ৰখা এটা কাগজৰ কাৰ্টুন বাকচত বৰ্জনীয় সকলো পদাৰ্থ ৰাখিবলৈ দিয়ে আৰু সেইবোৰ পিছত বিদ্যালয় ছুটীৰ পিছত গাৰবেজত জমা কৰিবলৈ দিয়ে তেন্তে এনধৰণে কৰা অভ্যাসে শ্ৰেণীকোঠাৰ পৰিৱেশ পৰিষ্কাৰ কৰিব আৰু ছাত্ৰ-ছাত্ৰীসকলৰ মাজত পৰিষ্কাৰ পৰিচ্ছন্নতাৰ অভ্যাস গঢ়ি উঠিব যাৰ বাবে তেওঁলোকে নিজৰ ঘৰৰ পৰিৱেশ পৰিষ্কাৰ কৰাৰ অভ্যাসো বিকাশ কৰিব। এটা শিশু বন্ধুত্বসুলভ পদ্ধতিৰে শ্ৰেণীকোঠাৰ বেৰ, মজিয়া আদি সজাব (ৰংবিৰঙেৰে) লাগে। এনেধৰণৰ সাজোনে শ্ৰেণীকোঠাৰ সৌন্দৰ্য বৃদ্ধি কৰিব আৰু ছাত্ৰ-ছাত্ৰীক আকৰ্ষণ কৰিব আৰু ছাত্ৰ-ছাত্ৰীক শিকন কাৰ্যত মনোনিৱেশ কৰাত সহায় কৰিব। (৫.৩.২ প্ৰসংগ, ঠাইৰ ব্যৱস্থাপনা) ছাত্ৰ-ছাত্ৰী বহাৰ প্ৰণালী এনে এটা প্ৰণালীবদ্ধ উপায়েৰে কৰিব লাগে যাতে বহাৰ পৰা পোৱা সুবিধাই ছাত্ৰ-ছাত্ৰীক শিকনত বেছিকৈ নিজকে জড়িত কৰাত সহায় কৰে (সম্পূৰ্ণকৈ জানিবলৈ আলোচনাৰ প্ৰসংগ ৫.৩.৩)।

যেতিয়া আপুনি শ্ৰেণীকোঠাৰ শিক্ষণ শিকন প্ৰক্ৰিয়াৰ ব্যৱস্থাপনাত ব্যস্ত থাকে আপোনাক বৃহৎ সংখ্যক সামগ্ৰী, যেনে — লিখিবলৈ বোৰ্ড (ক'লা বা বগা), আঁৰি থোৱা


টোকা

বোৰ্ড, বহাৰ বাবে আচবাব, শিক্ষণ-শিকন সামগ্ৰী মজুত ৰখাৰ প্ৰয়োজন হয়। সেইবোৰৰ থোৱা ঠাই, সঞ্চয়ন মজুতকৰণ আৰু শ্ৰেণীকোঠাত আপুনি আৰু আপোনাৰ ছাত্ৰ-ছাত্ৰীয়ে ব্যৱহাৰ কৰা আদি শ্ৰেণীকোঠাৰ ভৌতিক পৰিৱেশৰ এটা দৰকাৰী অংগ। শ্ৰেণীকোঠাত এই সামগ্ৰী ব্যৱস্থাপনাৰ দিশটো এই ব্লকৰ পিছৰ গোটত বহলভাৱে আলোচনা কৰা হৈছে।

**কাৰ্যকলাপ - ১**

শ্ৰেণীকোঠাত ভৌতিক পৰিৱেশৰ গুণগত দিশ বৃদ্ধি কৰিবলৈ শ্ৰেণী শিক্ষক হিচাপে আপোনাৰ ভূমিকা কি হ'ব এখন তালিকা প্ৰস্তুত কৰক—

..........................................................................................................

..........................................................................................................

..........................................................................................................

তালিকাখন প্ৰস্তুত কৰাৰ পিছত তলত দিয়াখিনিৰ লগত আপোনাৰ তালিকাখন তুলনা কৰক ঃ

শ্ৰেণীকোঠাৰ ভৌতিক পৰিৱেশ উন্নীত কৰাত এগৰাকী শিক্ষকৰ ভূমিকাবোৰ হ'লঃ

- শ্ৰেণী কোঠাটোৰ অৱস্থা নিৰাপদ আৰু নিৰ্বিঘ্ন হোৱাটো নিশ্চিত কৰক।
- বিদ্যালয় গৃহৰ নিয়মিত পৰিচালনাৰ বাবে বিদ্যালয় কৰ্তৃপক্ষৰ দৃষ্টি আকৰ্ষণ কৰক।
- শ্ৰেণীকোঠাৰ সৌন্দৰ্যকৰণৰ বাবে বেৰবোৰ পেইণ্টিং আৰু কাৰ্য-চাৰ্টেৰে সজাবলৈ ছাত্ৰ-ছাত্ৰীক উৎসাহিত কৰক।
- শ্ৰেণী আৰম্ভ হোৱাৰ আগেয়ে আৰু ছুটীৰ পিছত শ্ৰেণী কোঠা পৰিষ্কাৰ কৰণ হোৱাটো নিশ্চিত কৰক।
- শ্ৰেণী কোঠাত প্ৰণালীবদ্ধভাৱে অব্যৱহৃত পদাৰ্থবোৰ গাৰৱেজত পেলাবলৈ ডাষ্টবিন এটা ৰাখক/ৰখাৰ ব্যৱস্থা কৰক।
- ব্যৱহাৰৰ পিছত সকলো সামগ্ৰী সঠিকভাৱে উপযুক্ত ঠাইত ৰখা হ'লনে নাই পৰীক্ষা কৰক।
- **শ্ৰেণীকোঠাত দয়াল/কৃপাৰ সম্পৰ্ক ঃ**

  আপুনি নিজে ছাত্ৰ হিচাপে বা শিক্ষক হিচাপে আপোনাৰ অভিজ্ঞতা আছে যে কিছুমান শিক্ষকৰ লগত সকলো ছাত্ৰ-ছাত্ৰীৰ সুসম্পৰ্ক আছে, যেনে - ছাত্ৰ-ছাত্ৰীয়ে



টোকা

তেখেতসকলৰ লগত কথা-বতৰা পাতি ভাল পায় আৰু মুক্তভাৱে কথা কয় আৰু প্ৰশ্ন সোধে, বেছিভাগ সময় একেলগে কটায়, সন্মানেৰে তেখেতসকলক মানে আৰু তেখেতসকলে কৰিবলৈ কোৱা সকলো কামকে কৰিব পাৰে। এনেধৰণৰ শিক্ষকসকল ছাত্ৰৰ প্ৰয়োজনৰ প্ৰতি সম্পূৰ্ণ অনুভূতিশীল, তেখেতসকলে ছাত্ৰৰ ছাত্ৰ-ছাত্ৰীৰ সুখ-দুখৰ সমভাগী হয় আৰু যেতিয়া ছাত্ৰ-ছাত্ৰীসকলৰ অসুবিধা হয়/বিপদ হয়, তেতিয়া তেখেতসকলে সহায় কৰে। আপুনি নিজেও এই কথাটো লক্ষ্য কৰিছে। এইটোও লক্ষ্য কৰা হৈছে যে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত প্ৰত্যেকৰে প্ৰত্যেকৰে লগত ভাল সম্পৰ্ক আছে আৰু বেছিভাগ ছাত্ৰই এনেধৰণৰ শিক্ষকে শিকোৱা বিষয়টোত অন্য বিষয়তকৈ বেছি নম্বৰ পায়।

এইদৰে আমি ক'ব পাৰো যে ছাত্ৰ আৰু শিক্ষকৰ এনেধৰণৰ বন্ধনে দয়াৰ লগত সম্পৰ্ক নিৰ্ণয় কৰে। যিকোনো শ্ৰেণীকোঠাত দুই ধৰণৰ সম্পৰ্ক থাকে—'শিক্ষক-ছাত্ৰ' আৰু 'ছাত্ৰ-ছাত্ৰ'। যদি এই সম্পৰ্ক পাৰস্পৰিক বুজাবুজিৰ ভিত্তিত আৰু সন্মান আৰু সহযোগিতাৰ ভিত্তিত হয়, তেতিয়া হ'লে শ্ৰেণীকোঠা কাৰ্যকলাপৰ ব্যৱস্থাপনা কৰাত শিক্ষকৰ সহজ হ'ব। এটা বন্ধুসুলভ দয়াপূৰ্ণ শিকন পৰিৱেশ সৃষ্টি কৰিবলৈ আপুনি তলত দিয়া কথা কেইটা মনত ৰাখিব লাগিব ঃ

**কৰক (ধনাত্মকভাৱে)**

- ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক আৰু আবেগিক প্ৰয়োজনৰ প্ৰতি সহানুভূতিশীল হওক আৰু বুজক।
- ছাত্ৰ-ছাত্ৰীৰ চিন্তাৰ সপক্ষে যাওক।
- শ্ৰেণী কোঠাত ছাত্ৰ-ছাত্ৰীৰ সমস্যাৰ লগত কাম কৰোতে ধৈৰ্য ৰাখক আৰু সহানুভূতিশীল হওক।
- বিদ্যালয়ত সকলো কামত অংশগ্ৰহণ কৰিবলৈ ছাত্ৰ-ছাত্ৰীক যথেষ্ট সুবিধা দিয়ক। একেলগে কাম কৰিলে ছাত্ৰ-ছাত্ৰী আৰু শিক্ষকৰ মাজত, আৰু ছাত্ৰ-ছাত্ৰীসকলৰ মাজত এনাজৰী ডাল বেছি শক্তিশালী হ'ব।
- বিশৃংখলতা নিয়ন্ত্ৰণ কৰিবলৈ দৃঢ়তাৰে আমোদজনক শব্দ ব্যৱহাৰ কৰক।
- ছাত্ৰ-ছাত্ৰীসকলৰ মাজত সহযোগিতা আৰু একগোট হ'বলৈ উৎসাহ জগাওক।
- দলগত কাৰ্যৰ জৰিয়তে সবল আদান-প্ৰদান কৰাৰ বাবে উৎসাহ জগাওক।
- দলগত কাৰ্যত সম্পূৰ্ণ অংশগ্ৰহণেৰে ছাত্ৰ-ছাত্ৰীৰ ব্যস্তকৰণ নিশ্চিত কৰক।
- প্ৰত্যেক ছাত্ৰ-ছাত্ৰীয়ে অন্তৰ্নিহিত/অন্তঃবুদ্ধি আৰু ইচ্ছানুসৰি সম্পৰ্ক ৰক্ষা



টোকা

করিবলৈ সুবিধা পাব পৰাকৈ বিভিন্ন ধৰণৰ প্ৰকল্প আৰু সহ বিদ্যায়তনিক কাৰ্য পৰিচালনা কৰক।

**নকৰিব (ঋণাত্মক)**

- কৰ্কশ মাত, নিৰুৎসাহজনক শব্দ বা অপমানজনক শব্দ ব্যৱহাৰ কৰিবলৈ ব্যৱহাৰ নকৰিব বা ব্যৱহাৰ কৰিবলৈ উৎসাহিত নকৰিব।
- যিকোনো শ্ৰেণীকোঠাত বৈষম্যমূলক শব্দ ব্যৱহাৰক প্ৰশ্ৰয় নিদিব বা ক'বলৈ উৎসাহিত নকৰিব।
- ছাত্ৰ-ছাত্ৰীৰ মাজত অপ্ৰাসংগিক তুলনা আৰু প্ৰতিযোগিতাক উৎসাহিত নকৰিব।
- শ্ৰেণীকোঠাত বেয়া ফলাফল দেখুওৱা ছাত্ৰ-ছাত্ৰীবোৰক হীন চকুৰে নাচাব বৰং ফলাফল ভাল কৰাৰ বাবে বিকল্প ব্যৱস্থাৰ বাবে সুযোগ দিবলৈ চেষ্টা কৰক।

**কাৰ্যকলাপ - ২**

আপুনি আপোনাৰ ছাত্ৰ-ছাত্ৰীৰ স্বভাৱ আৰু সিহঁতৰ সমস্যাবোৰ জানে।

আপুনি আপোনাৰ ছাত্ৰ-ছাত্ৰীৰ মাজত আগতকৈ বেচি ভাল বান্ধোন সৃষ্টিত উৎসাহ যোগাই সুস্থ সম্পৰ্ক গঠনৰ বাবে লক্ষ্য কৰা 'কৰিবা' আৰু 'নকৰিবা'ৰ এখন তালিকা প্ৰস্তুত কৰক।

..........................................................................................................

..........................................................................................................

..........................................................................................................

## ৫.২.২ ব্যক্তিগত শিকনৰ ব্যৱস্থাপনা ঃ

ব্লক-১ৰ গোট-৪ত বিস্তৃতভাৱে আলোচনা কৰা বক্তৃতা পদ্ধতি ব্যৱহাৰ কৰি শিক্ষক হিচাপে আমি গোটেই শ্ৰেণীটোক শিকাওতে ব্যৱহাৰ কৰি আহিছো। এনেধৰণৰ এটা যোগাযোগ পদ্ধতি নিশ্চয়কৈ একপক্ষীয় যেনে - শিক্ষকৰ পৰা ছাত্ৰ-ছাত্ৰীলৈ, য'ত আদান-প্ৰদান প্ৰক্ৰিয়াত শিক্ষকেই সম্পূৰ্ণৰূপে নিয়ন্ত্ৰণ কৰে। যদি শিক্ষকে ইচ্ছা কৰে তেতিয়া সি/তাই, ছাত্ৰ/ছাত্ৰীক প্ৰশ্ন সুধিবলৈ ক'ব পাৰে বা তেওঁলোকৰ মাজতে আলোচনা কৰিব পাৰে, এইটো খুউব কম কাচিৎহে ক্ষেত্ৰতহে দেখা যায়, যিহেতু এই পৰিৱেশত শিক্ষকজন নিৰ্দিষ্ট সময়ত পাঠ্যসূচী শেষ কৰিবৰ বাবে এটা চাপত থাকে; সেইবাবে ছাত্ৰ-শিক্ষকৰ সম্পৰ্ক কমি থাকে ফলত ছাত্ৰ-শিক্ষকৰ যোগাযোগৰ সুবিধা কম



টোকা

থাকে। এইটো প্ৰতিস্থাপিত হৈছে যে প্ৰাথমিক স্তৰত কম সংখ্যক ছাত্ৰইহে এই পদ্ধতিৰে দৰকাৰী (সাৰ) শিকন লাভ কৰে।

যি নহওক শিক্ষাৰ উদ্দেশ্য হৈছে প্ৰত্যেক ছাত্ৰ/ছাত্ৰীক এগৰাকী সামৰ্থবান/সক্ষম শিকাৰু ৰূপে গঢ়ি তোলা আৰু এনেধৰণৰ ব্যক্তিগত শিকনেই শিক্ষণ-শিকন প্ৰক্ৰিয়াৰ শেষ লক্ষ্য, আৰু ইয়াক শ্ৰেণীকোঠাত এনেধৰণে ব্যৱহাৰ কৰা হয় যাতে প্ৰত্যেক শিকাৰুৱে শিকন অভিজ্ঞতা আহৰণৰ বাবে আত্ম সন্তুষ্টি লাভ কৰিব পাৰে। ব্যক্তিগত শিকনক আত্মশিকন/স্বশিকন বুলিও কোৱা হয়। ইয়াৰ বাবে লাগে ব্যক্তিগত প্ৰচেষ্টা আৰু কাম কৰাৰ বাবে আগ্ৰহ। শিক্ষকে প্ৰতিজন ছাত্ৰকে অতি সাৱধানে শিকন কাৰ্যবোৰ প্ৰস্তুত কৰি দিয়ে যাতে নিজৰ ঠাইত নিজে কাৰ্যবোৰ সফলভাৱে শেষ কৰিব পাৰে। সেইবাবে এগৰাকী শিক্ষক হিচাপে আপুনি ছাত্ৰ-ছাত্ৰীক শ্ৰেণী কোঠাত নিজ ঠাইতে ব্যক্তিগতভাৱে কাম কৰিবলৈ বিস্তৃতভাৱে (আহল বহল) সুবিধা দিব লাগিব।

ব্যক্তিগত শিকন বাবে আপুনি কাৰিকৰী কৌশল যেনে — কম্পিউটাৰ বা স্ব-শিকন সামগ্ৰী আৰু গৃহ কাৰ্য বিদ্যালয়ত উপলব্ধতাৰ ওপৰত নিৰ্ভৰ কৰি আপুনি ব্যৱহাৰ কৰিব পাৰে।

স্কিনাৰৰ Operant conditioning তত্বৰ ওপৰত ভিত্তি কৰি 1960 ৰ সময়ত আঁচনিযুক্ত সামগ্ৰীবোৰ এটা নিৰ্দিষ্ট সীমাতহে ব্যৱহাৰ কৰা হৈছিল আৰু '70's, computer assisted learning (CAL) বৰ্তমান আমাৰ বিদ্যালয়ত পাইছেহি যাৰ উদ্দেশ্য ব্যক্তিগত শিকনৰ বিকাশ ঘটোৱা। বিদ্যালয়ত CALৰ ব্যৱস্থাপনা এই পাঠ্যপুথিৰে Block 3ৰ গোট -12ত বহলভাৱে ব্যাখ্যা কৰা হৈছে। বিশেষভাৱে প্ৰস্তুত কৰা সহায়ক পুথি বা কৰ্ম পুথিকে ধৰি পাঠ্যপুথিসমূহ, বিশেষভাৱে প্ৰস্তুত কৰা স্ব-নিৰ্দেশক সামগ্ৰী (SIM)বোৰ বহু বিদ্যালয়ত বৰ্তমান বিস্তৃতভাৱে ব্যৱহাৰ কৰা হৈছে আৰু দূৰৱৰ্তী শিক্ষা ব্যৱস্থাতো ব্যক্তিগত ভাৱে ছাত্ৰ-ছাত্ৰীৰবাবে ব্যৱহাৰ কৰা হৈছে। কিন্তু সঘনে ব্যৱহৃত ব্যক্তিগত শিকন সামগ্ৰীবোৰ হৈছে স্বাভাৱিক শ্ৰেণীকোঠাৰ গৃহকাৰ্যৰ (assignment)ৰ অভ্যাসনহে।

- **শ্ৰেণীকোঠাত কাম ঃ**

প্ৰায় সদায় আপুনি ছাত্ৰ-ছাত্ৰীক শ্ৰেণী কোঠাত ব্যক্তিগতভাৱে কাম কৰিবলৈ দিয়ে। এই কামবোৰৰ কিছুমান দীঘল, কিছুমান চুটি আৰু এইবোৰ কামটো শেষ কৰিবলৈ সময় আৰু সময় পোৱাৰ ওপৰত নিৰ্ভৰ কৰে। এই কামবোৰে ছাত্ৰ-ছাত্ৰীক স্ব-শুদ্ধিকৰণৰ বাবে অভ্যাসৰ সুবিধা দিয়ে আৰু ধাৰণাবোৰ বুজিবৰ সুবিধা দিয়ে।



টোকা

ব্যক্তিগতভাৱে কৰা কাম ছাত্ৰ-ছাত্ৰীৰ শিকনৰ স্তৰটো ওপৰলৈ নিয়াত সহায়ক হয়। তলত দিয়া সহায়ক বাক্য কেইটা শ্ৰেণীকোঠাত ব্যক্তিগত পৰিৱেশ সৃষ্টিকাৰী বুলি বিবেচনা কৰিব পাৰি।

— কাৰ্যকলাপৰ লগত সম্পৰ্ক স্পষ্টভাৱে কৰিব লাগে যাতে প্ৰত্যেক ছাত্ৰই কি কৰিবলৈ গৈছে সম্পূৰ্ণকৈ বুজি পায়। যদি প্ৰয়োজন হয় ব্যাখ্যা কৰিবলৈ উদাহৰণ দিয়ক।

— **ছাত্ৰ-ছাত্ৰীৰ কাম চাই ঃ** যেতিয়া ছাত্ৰ-ছাত্ৰীক কাম চলি থাকে আপুনি শ্ৰেণীটোৰ চাৰিওফালে ঘূৰি ফুৰক আৰু প্ৰয়োজনবোধে ছাত্ৰ-ছাত্ৰীক সহায় কৰক। তেওঁলোকে হতাশ অনুভৱ কৰিব পাৰে বাবে হস্তক্ষেপ নকৰিব।

— **ছাত্ৰ-ছাত্ৰীৰ কাম পৰীক্ষা কৰি ঃ** ছাত্ৰ-ছাত্ৰীয়ে বিভিন্ন গতিত কামবোৰ কৰিব, সেইবাবে একে সময়তে শ্ৰেণীটোৰ কাম শেষ নহয়। এটা ডাঙৰ শ্ৰেণীত, ছাত্ৰ-ছাত্ৰীৰ কাৰ্য/কাম নিৰীক্ষণ কৰাটো এটা প্ৰত্যাহ্বানযুক্ত কাম। কেতিয়াবা নিৰীক্ষণ কৰা কামটো প্ৰত্যেকে প্ৰত্যেকৰ (অইনৰ) কাম নিৰীক্ষণ কৰিও সমাধা কৰিব পাৰি। এইটোৱে ধৰাবন্ধা/বিশেষ উত্তৰৰ লগত জড়িত হোৱা কামৰ বাবে বিশেষভাৱে উপযুক্ত পদ্ধতি হ'ব। কিন্তু কিছুমান কাৰ্যৰ বাবে আপুনি সাৱধানে পঢ়িব লাগে।

— **উপযুক্ত প্ৰতিপুষ্টি দিয়া ঃ** ছাত্ৰ-ছাত্ৰীয়ে যেতিয়া সিহঁতে কৰা পাৰদৰ্শিতাৰ ওপৰত প্ৰতিপুষ্টি (Feed back) পায় তেতিয়াহে শিকন হয়। সকলোবোৰ প্ৰদত্ত কামেই নিৰীক্ষণ কৰা প্ৰয়োজন আৰু প্ৰতিপুষ্টি দিয়া প্ৰয়োজন। এই প্ৰতিপুষ্টি ছাত্ৰ-ছাত্ৰীসকলক কাম দিয়াৰ পিছত যিমান সোনকালে পাৰি কৰা উচিত।

আপোনাৰ উন্নতিৰ বাবে তলত দিয়াবোৰৰ উত্তৰ কৰক ঃ

## E. ৩. ব্যক্তিগত শিকনৰ কিয় প্ৰয়োজন? আপোনাৰ উত্তৰ পাঁচটা বা ছয়টা বাক্যত লিখক

## E. ৪. ব্যক্তিগতকৰণ শিকনৰ বাবে তলৰ কোনটো যুক্তি সত্য?

(ক) ছাত্ৰ-ছাত্ৰীয়ে তাৰ/তাইৰ নিজৰ গতিত কামবোৰ কৰে।

(খ) ছাত্ৰ-ছাত্ৰীয়ে শিক্ষকৰ নিৰ্দেশনা সাৱধানে পালন কৰে।

(গ) ছাত্ৰ-ছাত্ৰীয়ে অইনৰ লগত ধাৰণাবোৰ আদান-প্ৰদান কৰে।

প্ৰতিটো যুক্তিৰ বাবে থকা আপোনাৰ সঁহাৰিৰ বাবে অন্ততঃ এটা কাৰণ দৰ্শাওক।



টোকা

## ৫.২.৩ দলগত শিকনৰ ব্যৱস্থাপনা ঃ

আপুনি হয়তো লক্ষ্য কৰিব পাৰিছে যে গোটেই শ্ৰেণীৰ শিকন আৰু ব্যক্তিগত শিকনৰ এটা মুখ্য সীমা আছে য'ত ছাত্ৰ-ছাত্ৰীয়ে ইজনে-সিজনৰ লগত মুক্তভাৱে মনৰ ভাব আদান-প্ৰদান কৰিব নোৱাৰে। এটা সুষম শিক্ষা দিবলৈ এনে ধৰণৰ আদান-প্ৰদান বহুলভাৱে ১৯৬০ চনৰ সময়তেই আৰম্ভ হৈছিল; (মনোবিজ্ঞানী Carl Roger দৰে মানৱীয় মনোবিজ্ঞানীৰ অধ্যয়নৰ প্ৰভাৱৰ ফলতে এইটো প্ৰতিপন্ন হৈছিল) তেখেতে শিকন সামাজিকভাৱে হোৱা দৰকাৰী বুলি বিবেচনা কৰিছিল আৰু সামাজিক পৰিবেসত হোৱা ছাত্ৰ-ছাত্ৰীৰ শিক্ষাই ছাত্ৰ-ছাত্ৰীক ভৱিষ্যৎ সুনাগৰিক কৰি গঢ়ি তোলে। এনেধৰণৰ সামাজিক পৰিৱেশ শ্ৰেণীকোঠাত সৃষ্টি কৰিব পাৰি আৰু এনে পৰিৱেশত ছাত্ৰ-ছাত্ৰীসকলক ইজনে-সিজনৰ লগত পাৰস্পৰিক আদান-প্ৰদান কৰিবলৈ যথেষ্ট সুবিধা দিয়া হয়। দলগত শিকন, বিশেষকৈ সৰু দলীয়/দলগত শিকন পদ্ধতি এই উদ্দেশ্যে উপযুক্ত বুলি বিবেচনা কৰা হয়।

শ্ৰেণীকোঠা শিকনৰ কাৰ্যকলাপত ১৯৮০ আৰু ১৯৯০ৰ পিছত দলগত শিকনৰ পদ্ধতিৰ ব্যৱহাৰ কৰি অগ্ৰগতি পোৱা গৈছিল। এই পাৰস্পৰিক আদান-প্ৰদানৰ সময়ত, অৰ্থবোৰ আলোচনা কৰি ভাববোৰ/তথ্যবোৰ বিনিময় কৰা হৈছিল। সেই সময়ত শ্ৰেণীকোঠা কোনো ব্যক্তিৰ জ্ঞান বৃদ্ধিৰ বাবে সামাজিক ৰংগভূমি (arena) হৈছিল। ছাত্ৰ-ছাত্ৰীয়ে যি খিনি বুজে সেইখিনি অইনৰ লগত তুলনা কৰি আৰু অইনৰ জ্ঞানৰ লগত নিজৰ জ্ঞান পৰীক্ষা কৰি ছাত্ৰ-ছাত্ৰীয়ে এটা নতুন কথা বুজি পাইছিল। উদাহৰণ স্বৰূপে যেতিয়া সহযোগিতাৰে সমস্যাবোৰ সমাধান কৰা হয়। ছাত্ৰ-ছাত্ৰীয়ে সমস্যা সমাধানৰ প্ৰক্ৰিয়াত অইনৰ লগত কথা-বতৰা পাতে ভাবৰ আদান-প্ৰদান কৰে, তেওঁলোকে তৰ্ক কৰে, কাৰণ দৰ্শায়, অনুমান কৰে আৰু সিদ্ধান্ত লয়।

দলগত শিকনৰ এটা প্ৰধান সুবিধা হ'ল যে দলগত শিকনৰ এটা প্ৰধান সুবিধা হ'ল- এই শিকন, শৈক্ষিক উদ্দেশ্যৰ বিস্তৃত পৰিসৰত উপনীত হ'বলৈ বিশেষকৈ সকলো ধৰণৰ মননাত্মক উদ্দেশ্য, যেনে - সমস্যা সমাধান, সিদ্ধান্ত গ্ৰহণ আৰু অন্য জীৱন কৌশল আদিত উপনীত হ'বলৈ ব্যৱহাৰ কৰিব পাৰি। এইটো এনে এটা পদ্ধতি যাৰ সহায়ত সৃজনীশীল চিন্তা আৰু অন্যান্য অভিসাৰী চিন্তন প্ৰক্ৰিয়াৰ উন্নত কৰা হয়। ইসকলো ধৰণৰ প্ৰভাৱী আৰু আন্তঃব্যক্তিয় সম্পৰ্ক ৰক্ষা কৰিবৰ বাবে উপযুক্ত পদ্ধতি। কাৰণ ইয়াক বহুমুখিতাৰ বাবে দলগত শিকন, বাঞ্ছিত বিশেষ মনোভাব বৃদ্ধি কৰাত ছাত্ৰ-ছাত্ৰীক সহায় কৰিবৰ বাবে শিক্ষকসকলে গোটেই পৃথিৱীতে বহুলভাৱে ব্যৱহাৰ কৰিছে, যেনে- খোলা হ'বলৈ ইচ্ছা কৰা, অইনৰ কথা শুনিবলৈ ইচ্ছা কৰা, যোগাযোগৰ বিকাশ কৰা

আৰু সাধাৰণভাৱে আন্তঃব্যক্তিৰ সম্পৰ্ক ৰক্ষা কৰা। দলগত শিকনৰ কিছুমান সাধাৰণ বৈশিষ্ট্য হ'ল—

- বহুতো শিকাৰুৱে এজন শিকাৰুতকৈ অধিক সময়/চেষ্টা/সমলৰ প্ৰাপ্যতা দিব পাৰে।
- বিস্তৃত জ্ঞান/কৌশল/অভিজ্ঞতা, জ্ঞানৰ বিনিময় আৰু অভিজ্ঞতা আদান-প্ৰদানৰ জৰিয়তে আহৰণ কৰিব পাৰি।
- বহুতো আৰু বিভিন্ন প্ৰকাৰৰ ধাৰণাবোৰ দলত ব্ৰেইনষ্টৰ্মিংৰ জৰিয়তে উদয় হয়।
- ভুলবোৰ চিনাক্ত কৰিব পাৰি আৰু বেছি সহজভাৱে শুদ্ধ কৰিব পাৰি।
- অংশগ্ৰহণে কাৰ্যৰ প্ৰতি অংগীকাৰ/দায়বদ্ধতা বৃদ্ধি কৰে।

দলগত শিকনৰ লগত জড়িত বহু অসুবিধা আছে যাৰ বাবে পৰিকল্পনা কৰোঁতে আৰু দলগত কাৰ্য কৰোতে সতৰ্কতা অৱলম্বন কৰিব লাগে—

⇨ অংশগ্ৰহণকাৰীসকলৰ মাজত যথেষ্ট সহযোগিতা১ অভাৱ।

⇨ সমভাৱে অংশগ্ৰহণ নকৰা, এগৰাকী বা তাতকৈ বেছি ব্যক্তি প্ৰভাৱীকৰণৰ পৰা আংশিক বা সম্পূৰ্ণভাৱে মানিলোৱা/উঠাই লোৱা।

- দলত আলোচনা কৰা বিষয়বোৰ দৃঢ়/নিশ্চিত বা কেন্দ্ৰীভূত কৰিবলৈ ব্যক্তিগত/এককভাৱে শিকাৰুক বাহ্যিক বা আভ্যন্তৰীণভাৱে হেঁচা দিয়া।
- কাম কৰিবলৈ প্ৰণালীবদ্ধভাৱে কাম কৰাৰ ইচ্ছাৰ অভাৱ।
- নিশব্দে/দ্ব্যৰ্থক/পৰিবৰ্তনশীল সিদ্ধান্ত গ্ৰহণ প্ৰক্ৰিয়া।
- শিকনৰ ফলাফলৰ তাৎক্ষণিক মূল্যায়ন সম্পূৰ্ণ অসাময়িক হ'ব পাৰে।

শ্ৰেণীকোঠাত দলগত শিকনৰ ব্যৱস্থা গঠনত শিক্ষকৰ প্ৰধান ভূমিকা হ'ল— শিক্ষকগৰাকী পথ প্ৰদৰ্শক আৰু সহায়ক হোৱা উচিত। আলোচনা কৰিবলগীয়া বিষয়বোৰ আলোচনাৰ পিছত সিদ্ধান্ত লোৱা হয় বা সমস্যাবোৰ দলত সমাধান কৰা হয়। শিক্ষক এগৰাকীৰ তিনিটা প্ৰধান কাম আছে—

- দল গঠন, দলত দলীয় সমস্যাবোৰৰ মাজত যোগাযোগ স্থাপন আৰু দলত শিকনৰ ফলাফল দৃঢ় কৰা।

ছাত্ৰ-ছাত্ৰীৰ দলগঠন প্ৰধানকৈ চাৰি ধৰণৰ হ'ব পাৰে ঃ

— সামৰ্থ অনুযায়ী দল গঠন

— আগ্ৰহ অনুযায়ী দল গঠন

— পছন্দ অনুযায়ী দল গঠন

— যধেমধে (মাজে মাজে বাচি) দল গঠন

- **সামৰ্থ অনুযায়ী দল গঠন (একে জাতীয়/সমমানৰ দলগঠন)**

⇨ সামৰ্থ অনুসৰি দল গঠন পদ্ধতিত প্ৰত্যেক ছাত্ৰৰ ব্যক্তিগত সামৰ্থলৈ মন দিয়া হয় আৰু একে সামৰ্থ থকা ছাত্ৰ-ছাত্ৰীক অন্য ছাত্ৰ-ছাত্ৰীৰ লগত দলত বহাই দিয়া হয়। উদাহৰণ স্বৰূপে অংকত উচ্চ, মধ্য আৰু নিম্ন সামৰ্থ থকা ছাত্ৰ-ছাত্ৰীবোৰক এই তিনিটা বেলেগ বেলেগ দলত ৰখা হয়। আপুনি উচ্চ সামৰ্থ থকা দলটোক প্ৰত্যাহ্বান যুক্ত কাৰ্য দিব পাৰে আৰু নিম্ন সামৰ্থ থকা দলটোক গাণিতিক ধাৰণা আৰু প্ৰক্ৰিয়া (যোগ, বিয়োগ, পূৰণ, হৰণ)ৰ কৌশল আৰু বুজাত অধিক সহায় কৰিবলৈ সহজ-সৰল কাৰ্য কৰিবলৈ দিব পাৰে। এইদৰে পদ্ধতিটোৱে ছাত্ৰ-ছাত্ৰীক তেওঁলোকৰ ধাৰণা বুজি আগবাঢ়ি যোৱাত সুবিধা দিব আৰু এটা যৌথ প্ৰচেষ্টাৰে তেওঁলোকৰ সামৰ্থৰ স্তৰ অনুযায়ী উপযুক্ত সমাধান পোৱাত সহায় কৰে। নিম্ন সামৰ্থৰ ছাত্ৰ-ছাত্ৰীক নিঃসন্দেহে আপোনাৰ ব্যক্তিগত মনোযোগ দিয়াৰ প্ৰয়োজন হয় আৰু সেই ধৰণৰ দল গঠন পুনৰ শিকন বা প্ৰতিকাৰৰ বাবে কৰা হয়। অসুবিধাটো হ'ল যে কেতিয়াবা এই ধৰণৰ দল গঠনত ছাত্ৰ-ছাত্ৰীসকলক অধিক বুদ্ধিসম্পন্ন বা দুৰ্বল ছাত্ৰ/ছাত্ৰী/ধীৰ শিকাৰু হিচাপে নামাকৰণ কৰা হয়। এইদৰে দুৰ্বল ছাত্ৰ/ছাত্ৰীবোৰে মনোবল কমাই দিয়াৰ ফলত তেওঁলোকৰ আত্মবিশ্বাসৰ ওপৰত প্ৰভাৱ পৰে।

**আগ্ৰহ অনুসৰি ছাত্ৰ-ছাত্ৰীৰ দল গঠন ঃ**

এনেধৰণৰ এটা শ্ৰেণীকোঠাৰ কথা ভাবক, য'ত শিক্ষকে একে সময়তে বিভিন্ন কাৰ্য পৰিচালনা কৰিব লাগে। কাৰ্যবোৰ হ'ল— ছবি আঁকা, বোকামাটিৰ মডেল সজা, আইনাত পেইণ্টিং কৰা শিক্ষকজনে/গৰাকীয়ে ছাত্ৰ-ছাত্ৰীৰ কাষ ক'ত আগ্ৰহ জানে। তেখেতে ছাত্ৰ-ছাত্ৰীসকলক তেওঁলোকৰ ইচ্ছানুসৰি বিভিন্ন দলত বহিবলৈ ক'ব, ছাত্ৰ-ছাত্ৰীয়ে কৰা দল অনুসৰি এটা দলক ছবি আঁকিবলৈ, আনটো দলক বোকামাটিৰ মডেল সাজিবলৈ, আৰু বাকী থকা দলটোক আয়নাত পেইণ্টিং কৰিবলৈ ক'ব। প্ৰত্যেকটো দলে সমনীয়াৰ সহযোগত কাৰ্যবোৰ সৰ্বসন্মতভাৱে কৰিব।

আগ্ৰহ অনুসৰি কৰা দল গঠন, সহায়কাৰী হিচাপে পোৱা যায়। এই পদ্ধতিত কৰা দল গঠন কৰাৰ সুবিধা হ'ল একে আগ্ৰহ থকা ছাত্ৰ-ছাত্ৰীয়ে একেলগে ভাল কাম কৰে। তেওঁলোকে প্ৰত্যেকে প্ৰত্যেকৰ পৰা শিকিব পাৰে আৰু সেইবাবে নিজৰ নিজৰ কৌশল/দক্ষতা উন্নত কৰিব পাৰে। এইদৰে গঠন কৰা দলৰ অসুবিধাটো হ'ল— ছাত্ৰ-ছাত্ৰীৰ আগ্ৰহ সীমিত, কেৱল এটা/দুটা ক্ষেত্ৰতহে তেওঁলোকৰ আগ্ৰহ থাকে, সেইবাবে প্ৰকাশ কৰাৰ অভাৱত তেওঁলোকৰ চিন্তাধাৰাবোৰ মুখস্থ ভিত্তিকহে হয়।


টোকা

- **ছাত্ৰ-ছাত্ৰীৰ পছন্দ অনুসৰি দল গঠন ঃ**

অন্য এক ধৰণৰ দল গঠনৰ পদ্ধতি হ'ল ইয়াত ছাত্ৰ-ছাত্ৰীসকলক নিজৰ দলৰ (ভাগী) অংশীদাৰ বাচি ল'বলৈ দিয়া হয়। এই ধৰণৰ দল গঠনত ছাত্ৰ-ছাত্ৰীক দলৰ পৰা এজন অংশীদাৰ বাচিবলৈ দিয়া হয় যাৰ লগত তেওঁৰ লগত কাম কৰিবলৈ ইচ্ছা কৰে। এই ধৰণৰ দল গঠনৰ সুবিধা হ'ল, ইয়াত, যিহেতু ছাত্ৰ-ছাত্ৰীয়ে নিজে নিজৰ দলৰ অংশীদাৰ বাচি/পছন্দ কৰি লয়, সেইবাবে তেওঁলোকে বেছি ফলপ্ৰসূভাৱে একেলগে কাম কৰিব পাৰে। পছন্দ অনুসৰি অংশীদাৰ বাচনি কৰাৰ স্বাধীনতা দিয়াৰ বাবে, এই ধৰণৰ দল গঠনত বেছি বুজাবুজি আৰু ভাল দলীয় কাৰ্য হয়। আনহাতে এই ধৰণৰ দল গঠনৰ অসুবিধাটো হ'ল, যিহেতু ইয়াত ছাত্ৰ-ছাত্ৰীয়ে পছন্দ অনুসৰি দলীয় অংশীদাৰ বাচিবলৈ দিয়া হয়, কেতিয়াবা এনেকুৱা হয় যে কিছুমান ছাত্ৰ-ছাত্ৰীয়ে কোনো দলতে অন্তৰ্ভুক্ত নহয়। পছন্দৰ স্বাধীনতা, অনুপযুক্ত অনুশীলনে ছাত্ৰ-ছাত্ৰীৰ মাজত ফুচফুচাই কথা কোৱাৰ সুবিধা দিয়ে বা এনে ধৰণৰ কাৰ্যই ফলাফল ঋণাত্মকহে কৰে।

- **উধামুধাকৈ মাজে মাজে কৰা ছাত্ৰ-ছাত্ৰীৰ দল গঠন ঃ**

উধামুধাকৈ ভিন্নভাৱে (সানমিহলিকৈ) কৰা দল গঠনে পিছপৰা (ধীৰ শিকাৰু) বা আগবঢ়া (দ্ৰুত শিকাৰু) হিচাপে অন্য ছাত্ৰ-ছাত্ৰীক নামাকৰণ কৰাত বাধা দিয়াত সহায় কৰিব পাৰে।

উধামুধাকৈ কৰা দলগঠন-গণনা কৰি, যুৰীয়া সুৰীয়াকৈ বা অন্য ধৰণেও কৰিব পাৰি।

এই ধৰণে কৰা দল গঠনৰ সুবিধাটো হ'ল যে পিছপৰা আৰু আগবঢ়া দুই ধৰণৰ ছাত্ৰ-ছাত্ৰীয়ে পৰস্পৰে মনৰ ভাব আদান প্ৰদান কৰিব পাৰে। ছাত্ৰ-ছাত্ৰীয়ে ইজনে সিজনক সহায় কৰিব পাৰে আৰু কোনো বিশৃংখল নোহোৱাকৈ ভুলবোৰ শুধৰাব পাৰে। অধিক সামৰ্থৰ ছাত্ৰ-ছাত্ৰীৰ (দ্ৰুত শিকাৰুৰ) প্ৰভাৱ পিছপৰা (ধীৰ শিকাৰুৰ) ছাত্ৰ-ছাত্ৰীৰ ওপৰত পৰে আৰু ধীৰ শিকাৰুসকলে অধিক অগ্ৰগতি লাভ কৰিবলৈ মন কৰিব পাৰে।

## E. ৫. যেতিয়া দল গঠন কৰা হয় আপোনাৰ মনলৈ আটাইতকৈ দৰকাৰী কি কথাটো ভাৱটো জাগে?

মুক্তভাৱে আদান-প্ৰদানৰ বাবে ছাত্ৰ-ছাত্ৰীৰ লগত দলত কাম কৰোতে আপুনি ছাত্ৰ-ছাত্ৰীৰ লগত ফলপ্ৰসূভাৱে সম্পৰ্ক ৰখাৰ প্ৰয়োজন। ই উদ্দেশ্যপ্ৰণোদিত ভাৱে দলত কাম কৰিবলৈ শক্তি লাভ কৰাত সহায় কৰাই নহয় বৰং অন্য উদ্দেশ্য যেনে কাম



টোকা

কৰিবলৈ আত্মবিশ্বাস সৃষ্টি কৰিবলৈ, ছাত্ৰ-ছাত্ৰীৰ মাজত আৰু অন্য দলৰ সদস্যৰ মাজত ভাল বুজাবুজি সৃষ্টি কৰিবলৈও সঁহাৰি দিব।

চিত্ৰ ৫.১ত দেখুওৱাৰ দৰে দলৰ লগত সম্পৰ্ক (যোগাযোগ) কৰিবলৈ দুটা সম্ভৱপৰ পথ আছে। চিত্ৰ ৫.১ (ক) প্ৰথম অৱস্থাত, আপুনি এগৰাকী শিক্ষক হিচাপে (শি) ব্যক্তিগতভাৱে ছাত্ৰৰ লগত (ছা), (সতীৰ্থৰ লগত আদান-প্ৰদানৰ সৰু দলত কোনো সুবিধা নিদিয়াকৈ) প্ৰত্যক্ষভাৱে আদান-প্ৰদান কৰিব পাৰে। দ্বিতীয় অৱস্থাত (চিত্ৰ ৫.১ (খ)ত আপুনি দলৰ এগৰাকী সদস্য হিচাপে দলৰ লগত সম্পৰ্ক ৰাখিব পাৰে। এই অৱস্থাত আপুনি সমান সংগী হিচাপে আলোচনা কৰিব পাৰে, য'ত প্ৰত্যেককে (শিক্ষক হিচাপে আপোনাক ধৰি) অন্য সদসাৰ লগত আদান-প্ৰদান কৰাৰ স্বাধীনতা থাকে। এইদৰে প্ৰথম প্ৰকাৰত শিক্ষকে সম্পূৰ্ণ যোগাযোগ প্ৰক্ৰিয়া নিয়ন্ত্ৰণ কৰে য'ত দ্বিতীয় প্ৰকাৰত দৃঢ়ভাৱে দলীয় নিয়ন্ত্ৰণ পোৱা যায়।




(ক) শিক্ষক নিয়ন্ত্ৰিত

| | |
|---|---|
| (শি) | (ছা) |
| শিক্ষক | ছাত্ৰ |




(খ) দলীয় নিয়ন্ত্ৰিত

Fig ৫.১ দলীয় পৰিৱেশত হোৱা দুটা যোগাযোগ ব্যৱস্থা (মূল ঃ Ellington & Earl 1996)

ধৰা হওক, আপুনি লক্ষ্য কৰিছে যে আপোনাৰ শ্ৰেণীৰ কমসংখ্যক ছাত্ৰ-ছাত্ৰীৰ অসমীয়া শব্দ ঠিকমতে উচ্চাৰণ কৰিবলৈ আৰু সময় মতে সমস্যা সমাধান কৰাৰ ক্ষেত্ৰত এটা বিশেষ শিকন সমস্যা আছে। এনে পৰিৱেশত, আপুনি দলটোক সম্পূৰ্ণ নিয়ন্ত্ৰণ কৰিবলৈ যত্নপৰ হ'ব লাগিব আৰু তেওঁলোকৰ সমস্যা সম্পৰ্কে প্ৰতিজন ছাত্ৰ/ছাত্ৰীৰ লগত প্ৰত্যেক্ষভাৱে আলোচনা কৰিব লাগিব। কিন্তু অন্য উদ্দেশ্যৰ বাবে দ্বিতীয় প্ৰকাৰৰ যোগাযোগে ভাল ফল দিব বুলি ক'ব পাৰি।



টোকা

গতিকে যেতিয়া আপুনি পাঠ পৰিকল্পনা কৰে, ছাত্ৰ-ছাত্ৰীক একেলগে প্ৰত্যক্ষভাৱে শিকোৱাৰ সলনি সম্পূৰ্ণ শ্ৰেণীটোক সৰু সৰু দলত ভাগ কৰি, দলত অংশগ্ৰহণৰ বাবে উৎসাহ যোগালে দলীয় কাৰ্য অতি ফলপ্ৰসূ হ'ব। দল গঠনত আটাইতকৈ দৰকাৰী কথাটো হ'ল— দলত একেলগে উপযুক্তভাৱে কাম কৰিবলৈ সামৰ্থ কৰা আৰু তেওঁলোকৰ মাজত সক্ৰিয় আদান-প্ৰদান নিশ্চিত কৰা।

শিক্ষক হিচাপে দলত ফলপ্ৰসূভাৱে কাৰ্য কৰিবলৈ হ'লে বিষয়বস্তু ব্যাখ্যা কৰাৰ প্ৰয়োজন। আপুনি, ছাত্ৰ-ছাত্ৰীসকলক একেলগে লগলাগি অৰ্থপূৰ্ণ আৰু ফলদায়কভাৱে কাম কৰিবলৈ সুবিধা প্ৰদান কৰাৰ প্ৰয়োজন। এই ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীয়ে সহযোগিতাৰ কৌশলৰ বিকাশ পৰিষ্কাৰভাৱে সাধন কৰিব পাৰিব।

**কাৰ্য - ৩**

দলীয় শিকন চলি থকা পাঁচটা শ্ৰেণী পৰ্যবেক্ষণ কৰক। ছাত্ৰ-ছাত্ৰীসকলে আৰু শিক্ষকসকলে এই শ্ৰেণীবোৰত কি কৰি আছে তাৰ বৈশিষ্ট্যবোৰৰ এখন তালিকা প্ৰস্তুত কৰক। শিক্ষকজনক সোধক — 'শ্ৰেণীকোঠাত কিয় সি/তাই দলীয় শিকনৰ সৃষ্টি কৰিছে? যদি আপুনি আপোনাৰ কাৰ্য শেষ কৰিলে, এতিয়া শ্ৰেণীকোঠাত দলীয় শিকনৰ ব্যৱস্থাপনাৰ বাবে নিহিত হৈ থকা নীতিবোৰৰ লগত আপোনাৰ পৰ্যবেক্ষণৰ তুলনা কৰক।

.............................................................................................................

.............................................................................................................

.............................................................................................................

আপুনি শ্ৰেণীকোঠাত তলত দিয়া দলীয় শিকনৰ ব্যৱস্থাপনাৰ বাবে থকা নীতিসমূহ বিবেচনা কৰিব লাগিব।

- দলৰ আকৃতি ৪-৬ জন ছাত্ৰ-ছাত্ৰীৰে সীমিত কৰক।
- যদি বিশেষ প্ৰয়োজন নহয়, বিষম/ভিন্নধৰ্মী দলক সাধাৰণতে সুবিধা দিয়ক, যিহেতু ই সমনীয়া শিকনত উৎসাহ যোগায়।
- কোনো ছাত্ৰ/ছাত্ৰীক পিছপৰা (ধীৰ শিকাৰু)ৰ দল বুলি নামাকৰণ কৰাটো যাতে তেওঁলোকে অনুভৱ কৰিব নোৱাৰে তাৰ বাবে দল গঠন প্ৰক্ৰিয়া সলনি কৰক।
- দলত কৰিবলৈ দিয়া কামবোৰ ছাত্ৰ-ছাত্ৰীৰ মানসিক সামৰ্থ অনুযায়ী উপযুক্ত হ'ব লাগিব।
- স্পষ্ট আৰু সহজ নিৰ্দেশনা দিয়ক আৰু স্বাভাৱিকতে সলনি কৰিব পৰাকৈ



টোকা



সময়সীমা বান্ধি দিয়ক।

- সম্পূৰ্ণ দলীয় কামত কৃতকাৰ্য হ'বলৈ দলত থকা প্ৰতিজন ছাত্ৰকে ভূমিকা ল'বলৈ বিশেষ দায়িত্ব দিয়ক। প্ৰতিটো দলত প্ৰতিজন ছাত্ৰ/ছাত্ৰীৰ অংশগ্ৰহণ নিশ্চিত কৰক।
- ছাত্ৰ-ছাত্ৰীসকলক আলোচনা কৰিবলৈ এটা আৰামদায়ক উপযুক্ত আৰু মুক্ত পৰিৱেশ দিয়ক।
- সমস্যা সমাধান কৰিবলৈ দলত প্ৰতিজনে প্ৰতিজনক পৰস্পৰ সহায় কৰিবলৈ দিয়ক।
- পৰামৰ্শ আৰু সঁহাৰি দিয়ক আৰু লওক।

## ৫.৩ শ্ৰেণীকোঠাত শিকনৰ বাবে সময় আৰু স্থানৰ ব্যৱস্থাপনা ঃ

ফলপ্ৰসূ শ্ৰেণী কোঠা ব্যৱস্থাপনাৰ এটা অতি গুৰুত্বপূৰ্ণ দিশ হ'ল সময়ৰ ব্যৱস্থাপনা। সময়ৰ ব্যৱস্থাপনাত শ্ৰেণীকোঠাত পৰিচালনা কৰিবলগীয়া কামবোৰ গঠন কৰিবলৈ আৰু কৰিবলৈ সুবিধা দিবলৈ এটা নিয়ম (নিৰ্দিষ্ট) ঠিক কৰা হয়। ব্যৱস্থাপনাৰ উপৰিও আপোনাৰ বাবে শ্ৰেণীকোঠাত ছাত্ৰ-ছাত্ৰীৰ শিকনৰ বাবে ঠাই/স্থান উপলব্ধ কৰাৰো প্ৰয়োজন। এটা সুসংগঠিত শ্ৰেণীকোঠাত কেৱল সামগ্ৰীবোৰেই ঠিক মতে সজ্জিত হৈ নাথাকে আৰু ছাত্ৰ-ছাত্ৰীৰ বাবে সামগ্ৰীবোৰো যথেষ্ট নহয়, বৰং বিভিন্ন প্ৰকাৰৰ শিকন পৰিৱেশৰ বাবে কিছু সুবিধাও থাকে। এই শাখাত, আমি শিক্ষণ-শিকন প্ৰক্ৰিয়াৰ বাবে সময় আৰু ঠাইৰ/স্থানৰ ব্যৱস্থাপনাৰ বাবে থকা কৌশলবোৰ বুজিবলৈ চেষ্টা কৰোঁ আহক।

### ৫.৩.১ সময় স্থানৰ ব্যৱস্থাপনা

বিদ্যালয় খোলা দিনত এটা পিৰিয়দত আপুনি কি কি কাৰ্যকলাপ স্বাভাৱিকতে কৰে সেইবোৰ মনত পেলাওক। আপোনাৰ শিক্ষণ পৰিকল্পনা অনুসৰি আপুনি সম্ভৱতঃ ছাত্ৰ-ছাত্ৰীৰ বহা আসনবোৰ সজায়, শিক্ষণ-শিকন সামগ্ৰী সজায়, ধাৰণাবোৰ ব্যাখ্যা কৰে, প্ৰশ্ন সোধে, প্ৰশ্নৰ উত্তৰ শুদ্ধ কৰে, ধাৰণাবোৰ প্ৰদৰ্শন কৰে আৰু TLMৰ সহায়ত প্ৰক্ৰিয়াবোৰ কৰাত সহায় কৰে, বোৰ্ডত লিখে আৰু ছবি আকে, দলীয় কাম কৰে, শিকনৰ কাৰ্যৰ ফলাফলবোৰ উলিয়ায়, আৰু শ্ৰেণীকোঠাত সামগ্ৰিকভাৱে পাঠবোৰ মূল্যায়ন কৰে আৰু এইদৰে কৰি থাকে।

আপুনি এই কাৰ্যবোৰৰ মূল্যায়নৰ বাবে কিছুমান কাৰ্য দি গোটেই পাঠটোৰ ব্যৱহাৰ সম্পৰ্কে বুজি এইদৰে কৰি গৈ থাকে। এই সকলোবোৰ কাম সুন্দৰভাৱে ৪০-



টোকা

৪৫ মিনিটতকৈ বেচি সময়লৈ আপুনি কৰে, নিশ্চয়কৈ আপুনি বুজি পাবই লাগিব যে যদিও দেখাত সহজ যেন লাগে শ্ৰেণীকোঠাৰ সময়ৰ ব্যৱস্থাপনা হৈছে সম্পূৰ্ণ এটা প্ৰত্যাহ্বানমূলক কাৰ্য। ই নিৰ্দেশনাত্মক কাৰ্যৰ দৰে সযতনে কৰা আঁচনি নহয়, কিন্তু কেনেদৰে শ্ৰেণীকোঠাত সময় ব্যৱহাৰ কৰা হ'ব সেই ক্ষেত্ৰত মনোযোগ দিবই লাগিব। শিকনৰ সময় আৰু ছাত্ৰ-ছাত্ৰীৰ শিকন আৰু বিকাশৰ মাজত কিবা সম্পৰ্ক আছেনে? বহু অধ্যয়নৰ পিছত তলত দিয়া দুটা প্ৰদান তথ্য পোৱা গৈছে—

১। ছাত্ৰ-ছাত্ৰীয়ে শিকন কাৰ্যবোৰ (যেনে - পৰীক্ষা কৰা, পৰ্যবেক্ষণ কৰা, অভ্যাস কৰা, আলোচনা কৰা, সমস্যা সমাধান কৰা, আৰু পঢ়া) কৰোতে যেতিয়া বেছি সময় ব্যস্ত হৈ থাকে, তেতিয়া তেওঁলোকৰ পাৰদৰ্শিতা বেছি হয়।

২। শ্ৰেণীকোঠাই প্ৰতি ছাত্ৰ-ছাত্ৰীয়ে শিকনৰ বাবে কটোৱা সময় ব্যৱহাৰিকভাৱে পৃথক পৃথক হয়।

যি নহওক শিক্ষা অধিকাৰ আইন ২০০৯ অনুসৰি প্ৰথম শ্ৰেণীৰ পৰা পঞ্চম শ্ৰেণীলৈ নিৰ্দেশনাত্মক সময় (ঘণ্টা) প্ৰতি শৈক্ষিক বৰ্ষত ৮০০ টা হয় আৰু ষষ্ঠ শ্ৰেণীৰপৰা অষ্টম শ্ৰেণীলৈ প্ৰতিটো শৈক্ষিক বৰ্ষত নিৰ্দেশনাত্মক সময় (ঘণ্টা) ১০০০টা হয়গৈ। এগৰাকী শিক্ষকে এসপ্তাহত প্ৰস্তুতিকে ধৰি শিকনৰ বাবে ৪৫ ঘণ্টা সময় কটাবলগীয়া হয়।

এটা বিষয়ত বেচি সময় দি আপুনি আপোনাৰ ছাত্ৰ-ছাত্ৰীৰ শিকাৰ সুবিধা/সুযোগ বৃদ্ধি কৰিব পাৰে। শ্ৰেণীকোঠাৰ শিকনৰ বাবে সময় কটোৱাটো অতি দৰকাৰী। এই সময়খিনিয়ে যিকোনো কৰিবলৈ দিয়া কামৰ বাবে প্ৰকৃত সময়, যেনে — লিখিবলৈ দিয়া কাৰ্যখিনি, দলত সক্ৰিয়ভাৱে সমস্যাটো আলোচনা কৰা, নীৰব পঠন কৰা আৰু আপুনি বিষয়টো ব্যাখ্যা কৰাৰ সময়ত মন দি শুনা ইত্যাদিবোৰ কৰাৰ বাবে প্ৰকৃত সময় শিকনৰ বাবে অতি দৰকাৰী। অৱশ্যে শ্ৰেণীকোঠাৰ কাৰ্যৰ সম্পাদনৰ বাবে যিখিনি সময় ধৰি দিয়া থাকে সেই সকলোখিনি সময় শিকন কাৰ্যৰ বাবে ব্যৱহাৰ কৰা নহয়। ছাত্ৰ-ছাত্ৰীৰ উপস্থিতি ল'বলৈ আৰু শিক্ষকে/ছাত্ৰই এটা কাৰ্যৰ পৰা আনটো কাৰ্য কৰিবলৈ যাওঁতেও কিছু সময় লাগে। আপুনি, ছাত্ৰ-ছাত্ৰীয়ে কৰা কিছুমান দুষ্কাৰ্যও নিয়ন্ত্ৰণ কৰিবলগীয়া হয়।

আপুনি কিছু সময়ৰ বাবে আপোনাৰ শ্ৰেণীকোঠাৰ কথা ভাবক। আপুনি সাজু হওতে কিমান সময় লাগিব? আপোনাৰ মনোযোগৰ বাবে ছাত্ৰ-ছাত্ৰীয়ে অপেক্ষা কৰি থকাৰ প্ৰয়োজন আছে নে? পিৰিয়দটোৰ শেষ কৰাৰ আগতে ছাত্ৰ-ছাত্ৰীসকল বিৰামহীন হয় নে? ভাগৰি পৰে নে? ছাত্ৰ-ছাত্ৰীয়ে কৰা লিখিত কাৰ্যবোৰ সংগ্ৰহ কৰিবলৈ আপুনি কিমান সময় অপেক্ষা কৰে? এই অপেক্ষা কৰা সময়খিনিত ছাত্ৰ-ছাত্ৰীৰ কৰিবলৈ একো



টোকা

নাথাকে বৰং তেওঁলোকে বন্ধু-বান্ধৱৰ লগত কথা পাতি আৰু খেলি সময়িখিনি কটায়। আপুনি ছাত্ৰ-ছাত্ৰীক পিছত শিকিবলগীয়া বিষয়ৰ বিষয়ে কৈ আৰু পুনৰ ছাত্ৰ-ছাত্ৰীৰ পৰা মনোযোগ বিচাৰিলে অতিৰিক্তভাৱে সময় অপচয় হ'ব।

আপোনাৰ শ্ৰেণীকোঠাৰ ব্যৱস্থাপনা পদ্ধতিটোৱে ছাত্ৰ-ছাত্ৰীক জীৱন্ত, সতৰ্ক আৰু ব্যস্ত কৰি ৰখা উচিত।

আপুনি তলত দিয়া ধৰণে সময় অপব্যয় নকৰাকৈ সময়ৰ সৎ ব্যৱহাৰ কৰিব পাৰে-

- শ্ৰেণীকোঠাত কৰিবলগীয়া কাৰ্যকলাপৰ বাবে আপুনি নিজে প্ৰস্তুত হওক। পিছৰ পৰ্যায়ত কি কৰিব লাগিব আপুনি সেই বিষয়ে নিশ্চিত হওক।
- সকলো সামগ্ৰী সাজু কৰি থওক আৰু এটা কাম শেষ কৰি আনটো কাম কৰিবলৈ যাওতে ছাত্ৰ-ছাত্ৰীৰ পৰা আপুনি কি আশা কৰিব মনত ৰাখক।
- মৌখিক নিৰ্দেশনা দিওঁতে স্পষ্ট আৰু বিশেষ ধৰণৰ ব্যৱস্থা অবলম্বন কৰক।
- এটা নতুন কাম আৰম্ভ কৰিবলৈ যাওঁতে ছাত্ৰ-ছাত্ৰীয়ে যাতে সদায় বহা আসন ত্যাগ কৰিবলগীয়া নহয়, সেই ধৰণে শ্ৰেণীকোঠা সজ্জিত কৰক।
- যিমান সোনকালে পাৰি আপোনাৰ পাঠ আৰম্ভ কৰক। এইটো সত্য যে আপোনাৰ কিছুমান ছাত্ৰ/ছাত্ৰী সম্পূৰ্ণভাৱে প্ৰস্তুত নহ'বও পাৰে।

এটা তাৎক্ষণিকভাৱে লোৱা সিদ্ধান্তই ধীৰ শিকাৰুসকলক অইন ছাত্ৰ-ছাত্ৰীৰ লগত একেলগে কাম কৰিবলৈ প্ৰেৰণা দিব পাৰে। আপোনাৰ ভালদৰে প্ৰস্তুত কৰা পাঠ পৰিকল্পনাবোৰে সময়ৰ অপচয় ৰোধ কৰাত আপোনাক সহায় কৰিব।

- এটা নতুন কাৰ্যকলাপ কৰিবলৈ আৰম্ভ কৰাৰ আগতে আপুনি নিশ্চিত হওক যে আপোনাৰ বেছিভাগ ছাত্ৰই কাম কৰি শেষ কৰাৰ সুবিধা পাইছে।
- ছাত্ৰ-ছাত্ৰীয়ে শেষ কৰা লিখিত কাৰ্য বা প্ৰকল্পবোৰ (বিষয় অনুসৰি) নামাকৰণ কৰি তেওঁলোকৰ নিজৰ নাম লিখি ক'ত থোৱা উচিত আগতীয়াকৈ তেওঁলোকক জনোৱা উচিত।
- এটা বিদ্যায়তনিক/শৈক্ষিক কাৰ্যৰ (যেনে — পঠন বা সমস্যা সমাধান বা পৰীক্ষা কৰা আদিৰ) পৰা অবিদ্যায়তনিক/অশৈক্ষিক কাৰ্য (যেনে — খেল বা ব্যায়াম) কৰিবলৈ যাওতে আপোনাৰ ছাত্ৰ-ছাত্ৰীয়ে কেনেকৈ ব্যৱহাৰ কৰিব আৰু শ্ৰেণীকোঠা ত্যাগ কৰাৰ আগেয়ে কি কৰিব লাগিব জানিবই লাগিব।
- শ্ৰেণীকোঠাটো গণ্ডগোল বা হাই-কাজিয়াৰ পৰা ৰক্ষা কৰিবলৈ প্ৰত্যেক গৰাকী


টোকা

ছাত্ৰ-ছাত্ৰীক বহাৰ স্থান পুনৰ সলনি কৰি বিশেষ স্থানলৈ (একে শাৰীতে বা অইন শাৰীলৈ) স্থানান্তৰিত কৰক।

- এটা নতুন কাৰ্যকলাপ আৰম্ভ কৰাৰ আগতে ছাত্ৰ-ছাত্ৰীক এটা চমু লিখিত কাৰ্য দিয়ক। বোৰ্ডত এটা প্ৰশ্ন দিয়ক বা মগজুৰ খেল (brain storming activity) কৰিবলৈ দিয়ক। এইদৰে কৰিলে পিছৰ কাৰ্য কৰিবৰ বাবে কিছু সময় তেওঁলোকে পাব।

**কাৰ্যকলাপ-৪**

এটা ৪০-৪৫ মিনিট সময়ৰ পিৰিয়ডত আপোনাৰ সহকৰ্মীসকলে কৰি থকা শিক্ষণ-শিকন প্ৰক্ৰিয়াবোৰ পৰ্যবেক্ষণ কৰক। পৰ্যবেক্ষণ প্ৰ-পত্ৰখন সম্পূৰ্ণ কৰক (শ্ৰেণী কোঠাত কাৰ্য চলি থকা অৱস্থাত) ঃ

শিক্ষকৰ নাম ............................................ তাৰিখ ......................................

বিদ্যালয়ৰ নাম ....................................... পৰ্যবেক্ষক ..................................

শ্ৰেণী কোঠাৰ কাৰ্যকলাপ, আৰম্ভণি সময়, শেষ কৰা সময়'

উপস্থিত গ্ৰহণ ঃ

গৃহকাৰ্য সংগ্ৰহ ঃ

কাৰ্যকলাপবোৰ/ধাৰণাবোৰ ব্যাখ্যা ঃ

শিক্ষণ-শিকন সামগ্ৰী (TLM) বিতৰণ ঃ

দলীয় কাৰ্য ঃ

ছাত্ৰ-ছাত্ৰীক শৃংখলাবদ্ধ কৰা ঃ

লিখিত কাৰ্যবোৰ শুদ্ধ কৰা ঃ

কাৰ্যকলাপবোৰৰ পুনৰালোচনা/সামৰণি কৰা ঃ

- এটা কাৰ্য পৰা আনটো কাৰ্যলৈ যোৱা
- শ্ৰেণীকোঠাৰ বাহিৰৰ কাৰ্য কৰা ঃ
- যিকোনো অন্যান্য কাম (বিশেষ) কৰা ঃ

## ৫.৩.১ শ্ৰেণীকোঠাৰ স্থান/ঠাইৰ ব্যৱস্থাপনা ঃ

সুসংগঠিত আৰু ভাল আচবাববোৰেৰে পূৰ্ণ শ্ৰেণী কোঠাই ছাত্ৰ-ছাত্ৰীক শিকনৰ বাবে অভিৰোচিত কৰে। আপুনি যে আপোনাৰ ছাত্ৰ-ছাত্ৰীৰ যত্ন লৈছে এই কথাটো



টোকা

প্ৰতিপন্ন কৰে। আপুনি আপোনাৰ শ্ৰেণীকোঠাত শিকনৰ বাবে ধনাত্মক পৰিৱেশ সৃষ্টি কৰিবলৈ হ'লে আপুনি নিশ্চিত হওক, যাতে শ্ৰেণীকোঠাত ছাত্ৰ-ছাত্ৰী সোমোৱাৰ আগতে প্ৰয়োজনীয় সামগ্ৰীবোৰ উপযুক্ত ঠাইত থোৱা থাকে। আনকি এখন সৰু বিদ্যালয়ত, কম সমল সামগ্ৰীৰে এগৰাকী ভাল শিক্ষকে ছাত্ৰ-ছাত্ৰীক উৎসাহিত কৰিবলৈ সুসজ্জিত শ্ৰেণী এটা সৃষ্টি কৰিব পাৰে। শ্ৰেণীকোঠাৰ ঠাইৰ প্ৰকৃত ব্যৱহাৰ কৰিবলৈ শ্ৰেণী কোঠাত সংগঠিত কৰিবলগীয়া কিছুমান উপাদানৰ বিষয়ে আলোচনা কৰো আহক—

- **শ্ৰেণীকোঠাৰ আচবাব আৰু মজিয়া ঃ** আপোনাৰ শ্ৰেণীকোঠাৰ আচবাব আৰু মজিয়াৰ ঠাইৰ বাবে বিবেচনা কৰিবলৈ ইয়াত কিছুমান সহায়ক নিৰ্দেশনা দিয়া হৈছে—

আমাৰ বেছিভাগ প্ৰাথমিক বিদ্যালয়তে ছাত্ৰ-ছাত্ৰীসকল কেতিয়াবা বেঞ্চত আৰু মজিয়াত বহে। কাৰ্যৰ প্ৰকৃতি আৰু উপলব্ধ ঠাইৰ ওপৰত ভিত্তি কৰি, আপুনি বেলেগ বেলেগ ধৰণে বহাৰ প্ৰণালী/সাজোন কৰিব পাৰে। যেনে - একে শাৰীত অৰ্ধ বৃত্তাকাৰে, বৃত্তাকাৰে, মুখামুখিকৈ ইত্যাদি। এই বহাৰ সাজোনবোৰ ৫.৪.৩ শাখাত আলোচনা কৰা হ'ব। শ্ৰেণীকোঠাত সকলো আচবাব সজাওক আৰু শ্ৰেণীকোঠাত ছাত্ৰ-ছাত্ৰীয়ে আৰামদায়ক ভাৱে চলাফুৰা কৰিব পৰাকৈ ছাত্ৰ-ছাত্ৰীক বহাৰ ব্যৱস্থা কৰক আৰু প্ৰয়োজন অনুসৰি যাতে আপুনি প্ৰতিজন ছাত্ৰৰ ওচৰলৈ সহজে যাব পাৰে তাৰ ব্যৱস্থা কৰক। আপোনাৰ ব্যক্তিগত মনোযোগ অনুভৱ কৰিবলৈ আৰু কৰ্মৰত অৱস্থাত আপুনি ছাত্ৰ-ছাত্ৰীক ব্যক্তিগতভাৱে পৰ্যবেক্ষণ কৰাটো অতি দৰকাৰী।

আপুনি শিক্ষণ-শিকন সামগ্ৰী বা অন্যান্য আচবাব থব পৰাকৈ আৰু শ্ৰেণী কোঠাত ৰেক থ'ব পৰাকৈ বিশেষ ঠাই বাচি ৰাখিবলৈ চেষ্টা কৰক। আপুনি পিছৰ সপ্তাহত শ্ৰেণীকোঠাত শিক্ষণ-শিকন সামগ্ৰী কেনেকৈ থ'ব সেইটো শিকিব।

- **বেৰত ঠাই আৰু বুলেটিন বোৰ্ড ঃ** বেৰত ঠাই আৰু বুলেটিন বোৰ্ডে শ্ৰেণী কোঠা এটা জীৱন্ত আৰু আকৰ্ষণীয় কৰিব আৰু ছাত্ৰ-ছাত্ৰীক স্বাধীনতা আৰু পাৰদৰ্শিতা দেখুৱাবলৈ উৎসাহিত কৰিব।

**কাৰ্যকলাপ - ৫**

প্ৰথম শ্ৰেণীৰ পৰা পঞ্চম শ্ৰেণীলৈ আপোনাৰ বিদ্যালয়ৰ বিভিন্ন শ্ৰেণীকোঠা পৰ্যবেক্ষণ কৰক। ছাত্ৰ-ছাত্ৰীৰ শিকনৰ বাবে আপুনি বেৰৰ ঠাই কিদৰে ব্যৱহাৰ কৰিছে? শ্ৰেণীকোঠাৰ বেৰত কেনেধৰণৰ কাৰ্য কৰিছে? সেইবোৰ গ্ৰেডৰ লগত সম্পৰ্কিত হয় নে? আপুনি পৰ্যবেক্ষণ কৰি কি পালে লিখক।



টোকা

আপুনি বেৰৰ ঠাই আৰু বুলেটিন বোৰ্ড, যেতিয়া শ্ৰেণীকোঠাত ব্যৱহাৰ কৰাৰ কথা ভাবে, তেতিয়া তলত দিয়া পৰামৰ্শবোৰ বিবেচনা কৰক—

- যদি আপুনি শ্ৰেণীকোঠাত ছাত্ৰ-ছাত্ৰীৰ লগত কাৰ্য কৰোঁতে চাৰ্ট/প্ৰকল্প ব্যৱহাৰ কৰে, আপুনি প্ৰতিজন ছাত্ৰই দেখা পোৱাকৈ উপযুক্ত ঠাইত ডাঙৰকৈ স্থায়ী ঠাইত থোৱাটো নিশ্চিত কৰক।
- আপুনি ছাত্ৰ-ছাত্ৰীয়ে ব্যক্তিগতভাৱে বা দলত কামবোৰ কৰিব আৰু শিকিব পৰাকৈ বিশেষ কাৰ্য কিছুমানৰ ছবি ওচৰত আঁকিব পাৰে বা পেইণ্ট কৰিব/ৰং দিব পাৰে।
- ছাত্ৰ-ছাত্ৰীৰ উচ্চ গুণাগুণ সম্পন্ন কাম কিছুমান উদাহৰণৰ দৃষ্টান্ত হিচাপে ৰাখিবলৈ কিছু ঠাই স্থিৰ কৰক।
- কিছু ইচ্ছাকৃতভাৱে খালী ঠাই বেৰত ৰাখক। এই খালী ঠাইখিনি ছাত্ৰ-ছাত্ৰীয়ে কৰা কামৰ বাবে ঠাই হিচাপে ব্যৱহাৰ কৰক।
- আপুনি আৰু ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰিয় বস্তু আৰু সামগ্ৰীসমূহ ৰাখিব পৰাকৈ বেৰত ঠাই আৰু বুলেটিন বোৰ্ডৰ ঠাই বিচাৰি উলিয়াবলৈ চেষ্টা কৰক।

শ্ৰেণীকোঠাৰ পৰিৱেশ উন্নত কৰিবলৈ বেৰৰ ঠাই আৰু বুলেটিন বোৰ্ডৰ লগতে অতিৰিক্তভাৱে আচবাব সাজোনৰো দৰকাৰ। শ্ৰেণীকোঠাৰ বেৰবোৰ বিভিন্ন তালিকাৰে পূৰ কৰি থ'ব পাৰি, যেনে — উপস্থিতিৰ চিহ্ন বোৰ্ড, ৰঙৰ চাৰ্ট, শব্দৰ তালিকা, গীত-মাত, সাঁথৰ, দৈনিক ৰুটিন, বিভিন্ন ধৰণৰ কাৰ্য ইত্যাদি। ছাত্ৰ-ছাত্ৰী আৰু শিক্ষকসকলে প্ৰতিজনৰ বাবে বাৰ্তা লিখিবলৈ স্থায়ী ঠাই এডোখৰত এখন বাৰ্তাবোৰ্ড ৰাখিব পাৰি। বিশেষ কিতাপ থোৱা চেলফ এখন সাধু পুথি, ডাঙৰ কিতাপ, হাস্যৰসিক কিতাপ আৰু প্ৰাসংগিক কিতাপ থ'বলৈ শ্ৰেণীকোঠাত ৰখাৰ ব্যৱস্থা কৰক।

এটা বিশেষ শ্ৰেণীৰ বাবে শিকন অৰ্হতাৰ লগত সম্পৰ্ক থকা বিভিন্ন কাৰ্যকলাপেৰে বেৰখন পেইণ্ট/ৰং কৰক। এই বেৰত ৰং কৰা কাৰ্যকলাপবোৰৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলে তেওঁলোকৰ মাজত দলত আলোচনা কৰিব আৰু প্ৰত্যেকে প্ৰত্যেকৰ পৰা কিছু শিকিব। পাৰিব বহু সময়ত এই বেৰত থকা কাৰ্যকলাপবোৰে স্ব-শিকন কৰাৰো সুযোগ দিয়ে।

- **শিকন সামগ্ৰী ঃ**

শিকন কাৰ্যৰ প্ৰতি ছাত্ৰ-ছাত্ৰীক আগ্ৰহী কৰিবলৈ আচবাব, মজিয়া আৰু বেৰৰ ঠাইৰ ব্যৱহাৰ কৰি, নিৰ্দিষ্ট লক্ষ্যত উপনীত হ'বলৈ সযতনে শিকন সামগ্ৰী ব্যৱহাৰ কৰাৰ বাবে কৰা আঁচনিয়ে আপোনাক সহায় কৰিব পাৰে। শ্ৰেণীকোঠাত শিকন সামগ্ৰী সজাবৰ বাবে তলত দিয়া ধৰণে বিবেচনা কৰক—



টোকা

- প্ৰায় ব্যৱহাৰ হোৱা সামগ্ৰী সমূহ (যেনে - কিতাপ, কাগজ, পেঞ্চিল, ৰবৰ, ৰং পেঞ্চিল, পৰীক্ষাগাৰ সঁজুলি) যথা স্থানত ৰখাত য'ত ছাত্ৰ-ছাত্ৰীয়ে সেইবোৰৰ সহজে মান নিৰূপণ কৰিব পাৰে। কমকৈ ব্যৱহৃত শিকন সামগ্ৰীসমূহ শ্ৰেণীকোঠাৰ অব্যৱহৃত ঠাইত ৰাখক।
- যিবোৰ সামগ্ৰী শিক্ষকে ব্যৱহাৰ কৰে, সেইবোৰ সহজলভ্য স্থানত থোৱা উচিত।
- যোগান ধৰা বাকচবোৰ টেবুল বা চেলফত যধেমধে থোৱাতকৈ সুসংগঠিতভাৱে পৰিষ্কাৰভাৱে ৰাখিবলৈ চেষ্টা কৰক।
- ছাত্ৰ-ছাত্ৰীয়ে কামবোৰ শেষ কৰাৰ পিছত কৰ্মবহীবোৰ ৰাখিব পৰাকৈ কোঠাত নিৰ্দিষ্ট স্থান স্থিৰ কৰক। প্ৰাথমিক বিদ্যালয়ৰ শ্ৰেণীকোঠাত শিক্ষকসকলে বহুতো বিষয় শিকায়, সেইবাবে প্ৰত্যেক বিষয়ৰ বাবে বেলেগ বেলেগ বাকচ বা ট্ৰে ৰখাৰ প্ৰয়োজন।

প্ৰথম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীয়ে পঢ়িবলৈ শিকাৰ ঠিক পিছতে এই পঢ়া সামগ্ৰীবোৰ থবৰ বাবে সহায় কৰিবলৈ ছবি আৰু ৰঙৰ কোড (code)ৰ ব্যৱহাৰ কৰক।

শ্ৰেণীকোঠাত শিক্ষণ-শিকন সামগ্ৰী, সেইবোৰৰ উন্নতকৰণ, ব্যৱহাৰ, সংৰক্ষণ আৰু পৰিচালনা গোট -৬ত সম্পূৰ্ণকৈ আলোচনা কৰা হৈছে।

## ৫.৩.৩ কাৰ্যভিত্তিক শ্ৰেণীকোঠাত বহাৰ প্ৰণালী ঃ

ব্লক-১ৰ গোট-৪ত শ্ৰেণীকোঠাত আপুনি আৰু ছাত্ৰ-ছাত্ৰীসকলে কৰা বিভিন্ন ধৰণৰ কাৰ্যকলাপৰ বিষয়ে শিকিলে। কেতিয়াবা আপুনি ছাত্ৰ-ছাত্ৰীক সাধু কথা কওক বা গান গাবলৈ দিয়ক বা পৰীক্ষা চলাওক আৰু আলোচনা কৰক।

আপোনাৰ ছাত্ৰ-ছাত্ৰীয়ে বিভিন্ন ধৰণৰ কাৰ্যকলাপ কৰাৰ বাবে একে ঠাইতে বহে নে? বিভিন্ন উদ্দেশ্যৰ বাবে থকা বিভিন্ন বহাৰ সাজোন মতে তেওঁলোকে একে স্থানতে বহাৰ প্ৰয়োজন নাই; এই সম্পৰ্কে এই শাখাত আলোচনা কৰা হৈছে।

তলত দিয়া পৰিৱেশ দুটাৰ বিষয়ে পঢ়ক -

**পৰিৱেশ- ২**

মি. ৰমেশে তৃতীয় শ্ৰেণীত শিকায়। এদিন তেখেতে এটা সাধু কৈছিল আৰু ছাত্ৰ-ছাত্ৰীসকল শাৰী শাৰীকৈ বহিছিল। যেতিয়া তেখেতে সাধুটো কৈ আছিল, সাধুটোৰ ঘটনাৰ লগত সম্পৰ্ক থকা বিভিন্ন ধৰণৰ ছবি দেখুৱাইছিল আৰু কিছুমান প্ৰশ্ন সুধিছিল। পিছৰ বেঞ্চত বহা কিছুমান ছাত্ৰই শিক্ষকজনক আৰু ছবিবোৰ দেখা পোৱা নাছিল। তেওঁলোকে কথা কোৱাত ব্যস্ত আছিল অমনোযোগী হৈ আছিল।

টোকা

সাধুটো বৰ্ণনা কৰাৰ পিছত শিক্ষকজনে প্ৰত্যেক ছাত্ৰ/ছাত্ৰীকে সাধুটো ক্ৰম অনুসৰি ক'বলৈ দিছিল।

**পৰিৱেশ- ৩**

মি. হৰিশ এগৰাকী প্ৰাথমিক বিদ্যালয়ৰ শিক্ষক। এদিন তেখেতে তৃতীয় শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলক সাধু কথা কৈ আছিল। তেখেতে ছাত্ৰ-ছাত্ৰীসকলক U (ইউ) আকৃতিত বহিবলৈ দিছিল যাতে তেখেতে প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীক নিজৰ দৃষ্টিত ৰাখিব পাৰে। সাধু কৈ থাকোতে তেখেতে প্ৰশ্ন সুধি গৈছিল আৰু ছবিবোৰ দেখুৱাই গৈছিল। তেখেতে ছাত্ৰ-ছাত্ৰীসকলক কিছুমান আনুমানিক প্ৰশ্ন ভাবিবলৈ দিছিল। প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীয়ে তেখেতৰ কোৱা মতে কাম কৰিছিল।

সাধুকথা কোৱাৰ বাবে কোনটো পৰিৱেশ ভাল বুলি আপুনি বাবে আৰু কিয় ভাবে?

ছাত্ৰ-ছাত্ৰীৰ বহাৰ সাজোনটো এটা কাৰ্যৰ পৰা আনটো কাৰ্যলৈ যাওঁতে বেলেগ বেলেগ ধৰণৰ হয়। কেতিয়াবা গোটেই শ্ৰেণীটোৰ বাবে এটা কাৰ্যকলাপ, কেতিয়াবা সৰু সৰু দলৰ বাবে এটা কাৰ্যকলাপ আৰু কেতিয়াবা একে সময়তে ব্যক্তিগতভাৱে প্ৰতিজন ছাত্ৰ-ছাত্ৰীৰ বাবে এটা কাৰ্যকলাপ কৰা হয়।

আপুনি বিভিন্ন ধাৰণা শিকাবলৈ যাওতে বিভিন্ন কাৰ্যকলাপৰ নমুনা বনাব পাৰে। এই ধৰণৰ বহাৰ সাজোন, কাম কৰা প্ৰকৃতিৰ ওপৰত নিৰ্ভৰ কৰে। কেতিয়াবা কাৰ্যকলাপ মতে U (ইউ) আকৃতিৰ আৰু কেতিয়াবা বৃত্তাকাৰ হয়।

বহাৰ বিভিন্ন সাজোন আলোচনা কৰো আহক ঃ

- গোটেই /সম্পূৰ্ণ শ্ৰেণীত শিকাবৰ বাবে বহাৰ সাজোন ঃ

আপুনি চিত্ৰত (৫.২) দেখুওৱাৰ দৰে শিক্ষকৰ সন্মুখত ছাত্ৰ-ছাত্ৰী বহি থকা আৰু আপুনি জনা পৰম্পৰাগত শ্ৰেণীকোঠাৰ বহাৰ সাজোন (য'ত ছাত্ৰ-ছাত্ৰীয়ে শ্ৰেণীকোঠাত শাৰীকৈ বহে) লক্ষ্য কৰক ঃ

**শিক্ষক**

o o o o      o o o o

o o o o      o o o o

o o o o      o o o o

o o o o      o o o o

ছবি ৫.২ সম্পূৰ্ণ শ্ৰেণী শিক্ষণৰ বাবে বহাৰ সাজোনৰ নমুনা



টোকা



এই ধৰণৰ সাজোনত শিক্ষকে সন্মুখত বহি থকা ছাত্ৰ-ছাত্ৰীখিনিহে লক্ষ্য কৰে আৰু তেওঁলোকৰ প্ৰতি বেছি মন দিয়ে। শিক্ষক/শিক্ষয়িত্ৰীগৰাকীয়ে পিছৰ বেঞ্চত বহি থকা ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতি যথেষ্ট মন দিব নোৱাৰে। এনেধৰণৰ বহাৰ সাজোনত দলীয় কাৰ্য সম্ভৱ নহয়। এইদৰে এনে ধৰণৰ এটা শ্ৰেণী, য'ত শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীয়ে এনেধৰণে বহি বিভিন্ন কাৰ্যকলাপ কৰিবলগীয়া হয় ই যথোপযুক্ত নহয়।

এই ধৰণৰ বহাৰ সাজোন, শ্ৰেণীকোঠাত বিভিন্ন কাৰ্যকলাপৰ প্ৰয়োজন অনুসৰিহে হ'ব।

- শিক্ষকৰ প্ৰদৰ্শনৰ বাবে বহাৰ সাজোন ঃ

ধৰা হওক, আপুনি শ্ৰেণীত ছাত্ৰ-ছাত্ৰীসকলক এটা সাধু কৈ আছে আৰু ছাত্ৰ-ছাত্ৰীৰ মাজত আগ্ৰহ আৰু ঔৎসুকতা বঢ়াবলৈ অংগী-ভংগী ব্যৱহাৰ কৰি শ্ৰেণীটো জীৱন্ত কৰিছে। শ্ৰেণীৰ প্ৰত্যেকেই আপোনাক দেখা পাবলৈ আপোনাৰ কথা ভালকৈ শুনিবলৈ আপোনাৰ ওচৰ চাপিবলৈ চেষ্টা কৰি আছে। কিছু সময় পিছত আপুনি দেখিব ছাত্ৰ-ছাত্ৰীসকল শাৰীত নবহে বৰং আপুনি আপোনাৰ চাৰিওপিনে বহি আছে। সেইবাবে যেতিয়া আপুনি সাধু কয়, কবিতা আবৃত্তি কৰে, বোৰ্ডত গাণিতিক সমস্যা সমাধান কৰে, পৰীক্ষা পৰিচালনা কৰে আৰু ছাত্ৰ-ছাত্ৰীৰ লগত আলোচনা কৰে চিত্ৰ ৫.৩ত দেখুৱাৰ দৰে আপোনাৰ সন্মুখত অৰ্ধবৃত্তাকাৰে বহুৱাই লোৱাটো ভাল হ'ব। এই ধৰণৰ সাজোনত প্ৰত্যেক ছাত্ৰ-ছাত্ৰীৰ প্ৰতি আপুনি প্ৰত্যক্ষ দৃষ্টি ৰাখিব পাৰিব। ছাত্ৰ-ছাত্ৰীয়ে আপোনাৰ মাত স্পষ্টকৈ শুনিব পাৰিব, আপুনি বোৰ্ডত লিখাখিনি পঢ়িব পাৰিব আৰু আপুনি প্ৰদৰ্শনকৰা পৰীক্ষা বা সামগ্ৰীসমূহ চাব পাব পাৰিব।




চিত্ৰ ঃ ৫.২ শিক্ষকৰ প্ৰদৰ্শনৰ বাবে বহাৰ সাজোনৰ নমুনা

- দলীয় কাৰ্যকলাপৰ বাবে বহাৰ সাজোন ঃ

তলৰ অৱস্থাটো মন কৰক ঃ



টোকা

**পৰিৱেশ - ৪**

এদিন ভাষা শিক্ষক মিচেছ উত্তৰাই তিনিখন ছবি যেনে— এখন হাতীৰ, এখন বান্দৰৰ আৰু এখন আমৰ ছবি পঞ্চম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ সৰু ৫টা দলত ভগাই দিছিল আৰু তিনিওটা ছবি (উপাদান)ৰ লগত সংগতি ৰাখি এটা সৰু/চমু সাধু লিখিবলৈ কৈছিল, তেখেতে আশা কৰিছিল যে প্ৰতিটো দলে অইন দলৰ ওপৰত নিৰ্ভৰ নকৰাকৈ স্বাধীনভাৱে সাধুটো লিখিব। গতিকে এইটো তেখেতে কেনেকৈ নিশ্চিত কৰিব পাৰিব? তেখেতে চিত্ৰ ৫.৪ত দেখুওৱা ধৰণে শ্ৰেণীকোঠাত দলবোৰ সজাইছিল। এই সাজোন অনুসৰি তেখেতে পালে যে প্ৰত্যেকটো দলেই সম্পূৰ্ণ বেলেগ বেলেগ ধৰণে একোটাকৈ সাধু লিখিছিল।



চিত্ৰ ঃ ৫.৪ দলীয় কাৰ্যকলাপৰ বাবে বহাৰ সাজোনৰ নমুনা

১ৰ পৰা ৫টাকৈ ছাত্ৰ-ছাত্ৰীৰে সৰু সৰু দল গঠন কৰি শ্ৰেণীকক্ষৰ বিভিন্ন ঠাইত বৃত্তাকাৰে তেখেতে ছাত্ৰ-ছাত্ৰীক বহিবলৈ দিছিল আৰু দলত তেওঁলোকৰ লগত আলোচনা কৰিছিল আৰু সমাধানলৈ আহিছিল। শিক্ষয়িত্ৰীগৰাকীয়ে ছাত্ৰ-ছাত্ৰীৰ দলবোৰৰ মাজত অগ্ৰগতি পৰিদৰ্শনৰ বাবে কাৰ্যকলাপত প্ৰত্যেক গৰাকী ছাত্ৰ/ছাত্ৰী জড়িত হৈছে নে নাই চাবৰ বাবেশ্ৰেণীকোঠাত দলবোৰৰ চাৰিওফালে ঘূৰা ফুৰা কৰিব পাৰে। দলীয় কাৰ্যত শাৰীকৈ বহা বা অৰ্ধবৃত্তাকাৰে বহাতকৈ এই ধৰণৰ বহাৰ সাজোনটো বেছি ভাল হ'ব (যিদৰে আমি ওপৰত আলোচনা কৰিছোঁ।)

- দলীয় প্ৰতিযোগিতাৰ বাবে বহাৰ সাজোন ঃ

কেতিয়াবা কেতিয়াবা দলবোৰৰ মাজত হোৱা প্ৰতিযোগিতাসমূহৰ বাবে আপুনি কিছুমান কাৰ্য কৰিবলগীয়া হয়। দলসমূহৰ মাজত হোৱা প্ৰতিযোগিতাৰ বাবে এনেধৰণৰ সাজোন দৰকাৰ য'ত এটা দলে অৰ্ধবৃত্তাকাৰে আৰু মুখামুখিকৈ বহিব (প্ৰতিযোগী দলৰ লগত)। চিত্ৰ- ৫.৫.ত দেখুওৱা ধৰণে।



টোকা



বৃত্তাকাৰে বহিলে দলৰ সদস্যসকলৰ প্ৰত্যেকৰে মাজত গভীৰভাৱে আলোচনা কৰাত সহায় হয়। আপুনি এগৰাকী ঘোষক হিচাপে বা বিচাৰক হিচাপে প্ৰতিযোগিতা পৰিচালনা কৰিব পাৰে আৰু চিত্ৰত দেখুৱা ধৰণে বিন্দুৰে অংকিত ৰেখাৰ মাজৰ স্থান ল'ব পাৰে। এটা দলে প্ৰশ্ন সুধিব আৰু আনটো দলৰ সদস্যসকলে তেওঁলোকৰ মাজত আলোচনা কৰি উত্তৰ দিব এইদৰে প্ৰশ্ন সোধা আৰু উত্তৰ দিয়া প্ৰক্ৰিয়া চলি থাকিব পাৰে।




চিত্ৰ ঃ ৫.৫ দলীয় প্ৰযোগিতাৰ বাবে বহাৰ সাজোনৰ নমুনা।

এগৰাকী শিক্ষক হিচাপে বিভিন্ন ধৰণে বহাৰ সাজোনৰ উপকাৰিতা সম্পৰ্কে আপুনি জানিবই লাগিব। প্ৰতিজন ছাত্ৰ-ছাত্ৰীৰ ফলপ্ৰসূ শিকনৰ বাবে কেৱল এক ধৰণৰ বহাৰ সাজোন অনুসৰণ কৰাটো উচিত নহয়।

**E. ৭. শ্ৰেণীকোঠাত কিয় বিভিন্ন ধৰণৰ বহাৰ সাজোন প্ৰয়োজন হয়? আপুনি তিনিটা কাৰণ দৰ্শাই উত্তৰ লিখক**

## ৫.৪ অভিৰোচন আৰু শৃংখলা ৰক্ষাৰ বাবে ব্যৱস্থাপনা ঃ

এগৰাকী শিক্ষক হিচাপে ছাত্ৰ-ছাত্ৰীৰ উপস্থিতি লোৱা, ছাত্ৰ-ছাত্ৰীৰ অংশগ্ৰহণ, নিশ্চিত কৰা, বিভিন্ন প্ৰশ্ন সোধা আৰু সময়মতে গৃহকাৰ্য জমা লোৱা, কিছুমান নিৰুৎসাহজনক কাম কৰা, ছাত্ৰ-ছাত্ৰীয়ে ভাল ফল নেদেখুৱা আৰু আশা কৰা ধৰণে পাৰদৰ্শিতা নেদেখুওৱা আদিৰ ওপৰত আপোনাৰ অভিজ্ঞতা আছে। এই দুই ধৰণৰ (ভাল ফল দেখুওৱা আৰু ভাল ফল নেদেখুৱা) দলৰ মাজত থকা মূল পাৰ্থক্যটো তেওঁলোকৰ অভিৰোচনৰ স্তৰৰ লগত জড়িত। আপুনি শ্ৰেণীকোঠাত বিশৃংখলযুক্ত সমস্যাৰো মুখামুখি হ'ব পাৰে। ছাত্ৰ-ছাত্ৰীক অভিৰোচনৰ লগত জড়িত কৰা আৰু শ্ৰেণীকোঠাত শৃংখলা বজাই ৰখাৰ বাবে বিভিন্ন পদ্ধতি আছে।


টোকা

এই শাখাত এই পদ্ধতিসমূহ আলোচনা কৰোঁ আহক।

## ৫.৪.১ ছাত্ৰ-ছাত্ৰীক অভিৰোচিত কৰাৰ বাবে ব্যৱস্থাপনা ঃ

এগৰাকী শিক্ষক হিচাপে আপুনি লক্ষ্য কৰিছে যে বিভিন্ন ধৰণৰ শিকন কাৰ্যকলাপে ছাত্ৰ-ছাত্ৰীক বিদ্যালয়ৰ প্ৰতি আগ্ৰহী কৰি তোলে। ছাত্ৰ-ছাত্ৰীৰ আগ্ৰহ হৈছে এটা শক্তিশালী অভিৰোচক। ছাত্ৰ-ছাত্ৰীসকলে কৰা কাৰ্যটোৰ প্ৰতি আগ্ৰহী হ'লে তেওঁলোকে বেছিকৈ কাৰ্যটো উপভোগ কৰিব, বেছি সময় কাৰ্যটো কৰিব আৰু ইয়াৰ পৰা বেছিকৈ শিকিব। যেতিয়া ছাত্ৰ-ছাত্ৰীসকল শিকন কাৰ্যকলাপৰ প্ৰতি আগ্ৰহী হয় আৰু ব্যস্ত হৈ পৰে তেওঁলোকে বেছি কৃতকাৰ্য হোৱাটো অনুভৱ কৰিব আৰু তেওঁলোকৰ ব্যৱহাৰিক সমস্যা/আচৰণমূলক সমস্যাবোৰো কমিব। এতিয়া কথা হ'ল, আপুনি কি ধৰণে ছাত্ৰ-ছাত্ৰীক অভিৰোচন কৰিবলৈ চেষ্টা কৰিব, সেইটো নিৰ্ভৰ কৰিব আপুনি শিক্ষাগত দৰ্শন আৰু মানসিক প্ৰতিচ্ছবিৰ লগত সম্পৰ্ক ৰাখি কি ধৰণে আপোনাৰ শ্ৰেণীকোঠাটোক অনুভৱ কৰিব তাৰ ওপৰত।

অভিৰোচন এনে এটা আভ্যন্তৰিণ অৱস্থাৰ যিয়ে ব্যৱহাৰ আচৰণ প্ৰত্যক্ষ কৰে আৰু পৰিচালনা কৰে।

আমি গোট ১ত আলোচনা কৰাৰ দৰে অভিৰোচন দুই ধৰণৰ ঃ আভ্যন্তৰিণ আৰু বহিঃ অভিৰোচন

আগ্ৰহ আৰু ঔৎসুকতাৰ দৰে কাৰকৰ পৰা পৃথক অভিৰোচনক আভ্যন্তৰিণ অভিৰোচন বোলে। আভ্যন্তৰিণ অভিৰোচন হৈছে ব্যক্তিগত আগ্ৰহ আৰু আপোনাৰ সামৰ্থ অনুসৰি প্ৰত্যাহ্বান জিকিবলৈ কৰা এক স্বাভাৱিক ইচ্ছা। যেতিয়া আপুনি আভ্যন্তৰিণভাৱে অভিৰোচিত হয় আপুনি বা শাস্তি নিবিচাৰে। কাৰণ ই নিজেই পুৰস্কৃত কৰিব আৰু ই আপোনাক আনন্দ দিব। ই আপুনি কাম এটা শেষ কৰিবলৈ সহায় বিচাৰিব আৰু আনকো সহায় কৰিব।

আপুনি কিবা পুৰস্কাৰ পাবলৈ, কাৰোবাৰ লগত চিনাকি হ'বলৈ, কিবা পাবলৈ বা কাৰোবাৰ কাষ চাপিবলৈ, যদি উৎসাহদায়ক কিবা এটা কাম কৰে (কামৰ ক্ষেত্ৰত কাম কম কৰিবলগীয়া হয়) এইটোৱে আপোনাৰ অভিজ্ঞতা আৰু ইয়ে বহিঃ অভিৰোচন। আপুনি নিজক বচাবৰ বাবে এই কামটোৰ প্ৰতি প্ৰকৃততে আগ্ৰহী নহয়। আপুনি কেৱল কি পালে তাৰ ওপৰতহে মন দিয়ে। বহিঃঅভিৰোচনে হতাশ দূৰ কৰি প্ৰতিদ্বন্দ্বিতা কৰিবলৈ উৎসাহিত কৰে আৰু বাহ্যিক কাৰকৰ ওপৰত নিৰ্ভৰশীল আচৰণ দূৰ কৰাত উৎসাহ যোগায়।

শিকাৰুৰ অভিৰোচনৰ স্তৰ বচাবলৈ বৃদ্ধি কৰিবলৈ বিভিন্ন পদ্ধতি (কৌশল)সমূহ বিবেচনা কৰোঁ আহক—

- **প্ৰথমে শক্তিশালী কৰক ঃ**

পাৰদৰ্শিতা দেখুৱাবলৈ ছাত্ৰ-ছাত্ৰীসকলক তেওঁলোকৰ সামৰ্থ আৰু বুদ্ধি ব্যৱহাৰ কৰিবলৈ সুবিধা দিয়া উচিত। এইদৰে কৰিলে তেওঁলোকে কৌশল সেইটো কিদৰে উন্নতি কৰিব পাৰি শিকিবলৈ সামৰ্থ হ'ব। যেতিয়া ছাত্ৰ-ছাত্ৰীৰ দুৰ্বলতাৰ ওপৰত গুৰুত্ব দিয়া হয়, ছাত্ৰ-ছাত্ৰীয়ে বেয়াকৈ অভ্যাস কৰি বেছিভাগ সময় অকৃতকাৰ্য হৈয়ে সময় কটায়। তেওঁলোকৰ আত্ম-বিশ্বাস আৰু অভিৰোচন কম হ'ব।

- **পছন্দ কৰিবলৈ দিয়ক ঃ**

ছাত্ৰ-ছাত্ৰীক সিদ্ধান্ত ল'বলৈ উৎসাহ যোগোৱা উচিত। ছাত্ৰ-ছাত্ৰীৰ বুদ্ধি আৰু আগ্ৰহ চিনাক্ত কৰা উচিত আৰু উপযুক্ততা অনুসৰি তেওঁলোকক অভিৰোচিত কৰিবলৈ এইবোৰ ব্যৱহাৰ কৰা উচিত।

আপুনি শিকাবলৈ ছাত্ৰ-ছাত্ৰীয়ে শিকিবলৈ বিচৰা বিষয়টোৰ ওপৰত বিভিন্ন ধৰণৰ কাম কৰিবলৈ দিয়া উচিত। তেতিয়া ছাত্ৰ-ছাত্ৰীসকলে কামবোৰৰ প্ৰতি যথেষ্ট মনোযোগ দিয়াৰ সুবিধা পাব আৰু সেইবোৰ তেওঁলোকৰ বাবে আকৰ্ষণীয় আৰু প্ৰত্যাহ্বানযুক্ত হ'ব।

- **এটা পৱিত্ৰ নিৰাপদ/পৰিৱেশ দিয়ক ঃ**

অভিৰোচনৰ বিকাশ আৰু তাৰ লগত শিকন ফলদায়ক কৰিবৰ বাবে অনুত্তীৰ্ণৰ শিকিবলৈ অপাৰগ হোৱা ছাত্ৰ-ছাত্ৰীৰ ক্ষেত্ৰত অতি জটিল।

ছাত্ৰ-ছাত্ৰীয়ে যিটো পাৰে সেইটো শিকা উচিত আৰু তেওঁলোকে কৰা ভুলৰ পৰা তেওঁলোকে শিকিবই লাগিব।

- **সৃজনীশীলতাক গুৰুত্ব দিয়ক ঃ**

ছাত্ৰ-ছাত্ৰীৰ সৃজনীশীলতাৰ বিকাশৰ বাবে সুবিধা দিয়া উচিত।

যেতিয়া ছাত্ৰ-ছাত্ৰীয়ে তেওঁলোকৰ সৃজনীশীলতা ব্যৱহাৰ কৰে তেওঁলোকে অধিক অভিৰোচনেৰে কাম কৰে।

- **স্ব-মূল্যায়নৰ বাবে ছাত্ৰ-ছাত্ৰীক উৎসাহিত কৰক ঃ**

ছাত্ৰ-ছাত্ৰীক স্ব-মূল্যায়নৰ সুবিধা দিয়া উচিত, ই ছাত্ৰ-ছাত্ৰীক অধিক অভিৰোচিত কৰিব আৰু প্ৰতিটো অভ্যাস উন্নীত কৰিব।


টোকা

- **পুৰস্কাৰ ব্যৱহাৰ কৰক ঃ**

  পুৰস্কাৰ হৈছে আটাইতকৈ ফলপ্ৰসূ অভিৰোচিত কাৰক। ছাত্ৰ-ছাত্ৰীক বাঞ্চিত আচৰণৰ বাবে প্ৰশংসা কৰা উচিত। ছাত্ৰ-ছাত্ৰীসকলক ইজনৰ লগত সিজনক তুলনা কৰিবলৈ এৰা উচিত।

- **ছাত্ৰ-ছাত্ৰী জড়িতকৰণ ঃ**

  ছাত্ৰ-ছাত্ৰীক শ্ৰেণী কোঠাত কৰা সকলো কাৰ্যকলাপত অংশগ্ৰহণ কৰিবলৈ উৎসাহিত কৰা উচিত। ই ছাত্ৰ-ছাত্ৰীৰ অভিৰোচনৰ স্তৰ বৃদ্ধি কৰাৰ এক অতি ফলপ্ৰসূ পথ।

## E. ৮. তলত দিয়াবোৰৰ কোনটো ছাত্ৰ-ছাত্ৰীক অভিৰোচিত কৰা এটা পদ্ধতি নহয়?

(ক) সকলো ধৰণৰ কাৰ্যত ছাত্ৰ-ছাত্ৰীক জড়িত কৰি

(খ) ছাত্ৰ-ছাত্ৰীৰ সামৰ্থ চিনাক্ত কৰি

(গ) অইনৰ আগত ছাত্ৰ-ছাত্ৰীৰ ভুল দেখুৱাই

(ঘ) আপুনি কেৱল এটা কাৰণ দৰ্শাওক।

## ৫.৪.২ শ্ৰেণীকোঠাত শৃংখলাৰ ব্যৱস্থাপনা ঃ

বহল দৃষ্টিত শৃংখলাই প্ৰধানতঃ আত্ম-শৃংখলাকে বুজায় ই এনে ধৰণৰ এক প্ৰক্ৰিয়া য'ত ছাত্ৰ-ছাত্ৰীয়ে তাৰ/তাইৰ নিজৰ আচৰণ নিজৰ উদ্দেশ্যৰ লগত খাপ খুৱাবলৈ বা অইনে বিচৰা ধৰণে খাপ খুৱাবলৈ বিচাৰ কৰিব পাৰে। ঠেক দৃষ্টিভংগীত শৃংখলা মানে হ'ল শাস্তি, যিয়ে সহায় কৰাৰ সলনি বহু সমস্যা সৃষ্টি কৰিব পাৰে।

বিদ্যালয়ৰ ক্ষেত্ৰত শৃংখলা ৰক্ষা কৰা বিষয়টো শ্ৰেণীকোঠাৰ সমস্যা পৰিচালনাৰ লগত সম্পৰ্কিত। ই দায়িত্ববোধ, অইনৰ বাবে বিবেচনা, আৰু আত্ম সন্মানৰ ওপৰত নিৰ্ভৰ কৰে। যি নহওক, এগৰাকী ছাত্ৰ/ছাত্ৰীয়ে নিজৰ আচৰণৰ বাবে দায়িত্ব অনুভৱ কৰাৰ আগতে সি/তাই প্ৰথমতে নিজে সেই ভাৱৰ বিকাশ কৰিবই লাগিব। যেতিয়া এগৰাকী ছাত্ৰ/ছাত্ৰীয়ে শ্ৰেণী এটাৰ সংহত (একক) অংশ হিচাপে নিজে অনুভৱ কৰিব, তেতিয়াহে সি/তাই এটা দায়িত্বশীলতাৰ ভাবৰ বিকাশ কৰিব পাৰিব। সু শৃংখলাৰ আৰম্ভণি বিন্দুটো হৈছে শিক্ষক ছাত্ৰ/ছাত্ৰীৰ মাজত থকা ধনাত্মক সম্বন্ধটো য'ত পাৰস্পৰিক সন্মান আৰু গ্ৰহণীয় দায়িত্ববোধ থাকে।



টোকা



শ্ৰেণীকোঠাত বিশৃংখল সৃষ্টিকৰা, নিয়ম ভংগকাৰী আটাইতকৈ সাধাৰণ সমস্যা হ'ল—

- পলমকৈ অহা ঃ

কিছুমান ছাত্ৰ-ছাত্ৰীয়ে বিদ্যালয়লৈ পলমকৈ আহে। যদি শিক্ষকগৰাকীয়ে ইতিমধ্যে (ছাত্ৰ/ছাত্ৰীগৰাকী আহি পোৱাৰ আগতে) শিক্ষণ আৰম্ভ কৰে, ছাত্ৰ/ছাত্ৰীগৰাকীয়ে বুজিবলৈ অপাৰগ হয়। দেৰিকৈ অহা ছাত্ৰ/ছাত্ৰীগৰাকীয়ে দেৰিকৈ অহাৰ কাৰণ অন্য বন্ধুৰ লগত আলোচনা কৰে আৰু শিক্ষকগৰাকীয়ে শিকোৱা বিষয়ৰ ওপৰতো আলোচনা কৰে। ই শ্ৰেণীকোঠাত বিশৃংখলতাৰ সৃষ্টি কৰে আৰু বহু ছাত্ৰ-ছাত্ৰীৰ মনোযোগত বেয়াকৈ প্ৰভাৱ পেলায়।

- **পলায়ন**

  বহু গাঁৱৰ বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীসকল কোনো ডাঙৰ কাৰণ নোহোৱাকৈ শ্ৰেণীত অনুপস্থিত থাকে। বহুদিনৰ মূৰত যেতিয়া তেওঁলোক বিদ্যালয়লৈ আহে, তেওঁলোকে পাঠটো বুজি নাপায় আৰু ই শ্ৰেণীকোঠাত বিশৃংখল সৃষ্টি কৰে।

প্ৰায়ে এনেধৰণৰ ছাত্ৰ-ছাত্ৰীবোৰে কাকো নজনোৱাকৈ বিদ্যালয় চুটি হোৱাৰ আগতেই বিদ্যালয় এৰে।

- **গণ্ডগোল কৰা ঃ**

শ্ৰেণী কোঠাত যেতিয়া কি হৈ আছে ছাত্ৰ-ছাত্ৰীয়ে বুজিব নোৱাৰে বা নিৰুৎসাহজনক কাম পায়, তেতিয়া তেওঁলোকৰ মাজতে কথা পাতি থাকে কামত জড়িত নহয়, খেলি-মেলি সৃষ্টি কৰে, আৰু তেতিয়াই শ্ৰেণীকোঠাত বিশৃংখলতাৰ সৃষ্টি হয়।

- **বহুৰালি**

  ঠাট্টা কৰা, অইনৰ কথাত তামচা কৰা, ডাঙৰকৈ চিঞঁৰা হৈছে, কৰা আদি নিজৰ অনুত্তীৰ্ণতাক ঢাকিবলৈ কিছুমান ছাত্ৰ-ছাত্ৰীয়ে ব্যৱহাৰ কৰা কূটনীতি। এইবোৰে হতাহতি, চিঞৰ, কান্দোনৰ প্ৰতি উদগণি যোগায় আৰু শ্ৰেণীকোঠাত বিশৃংখলতাৰ সৃষ্টি কৰে।

- **কাজিয়া ঃ**

  উত্তেজিত কৰা, ফুচফুচাই কথা কোৱা, অইনৰ কামত হস্তক্ষেপ কৰা, ভয় খুওৱা, কাজিয়া কৰা, যুদ্ধ কৰা, এইবোৰ হৈছে কিছুমান কু-আদৰ্শ আচৰণ, আৰু এইবোৰে শ্ৰেণীকোঠাত স্বাভাৱিক কাৰ্যকলাপ কৰাত বাধাৰ সৃষ্টি কৰে।



টোকা

- **অবাধ্যতা**

  বহু সময়ত কিছুমান ছাত্ৰই শিক্ষকৰ নিৰ্দেশনা নামানে। ছাত্ৰ-ছাত্ৰীৰ এইধৰণৰ অবাধ্যতাই শ্ৰেণীকোঠত বিশৃংখলতাৰ সৃষ্টি কৰে।

- **অসন্মান ঃ**

  কোনো পৰিৱেশত এগৰাকী ছাত্ৰই প্ৰত্যক্ষভাৱে শিক্ষক গৰাকীক তেখেতৰ মালিকীস্বত্বতাক আৰু তেখেতৰ যোগ্যতাক প্ৰত্যাহ্বান হিচাপে লয়। এইদৰে শৃংখলাবদ্ধ নিয়মৰ প্ৰতি খোলাভাৱে অৱজ্ঞা দেখুৱায়।

- **উদাসীনতা ঃ**

  কোনো কাম কৰিবলৈ উদাসীন হ'লে বা কোনো কাম শেষ কৰিব নোৱাৰিলে অবাধ্য আচৰণ দেখা যায়। ই শ্ৰেণীকোঠাত বিশৃংখলতাৰ সৃষ্টি কৰে।

- **ঠগামি ঃ**

  যেতিয়া এগৰাকী ছাত্ৰ/ছাত্ৰীয়ে সময়ত কাম কৰিবলৈ চেষ্টা নকৰে, সি/তাইৰ কামটো সামৰ্থৰ বাহিৰত বা শিক্ষকক ঠগিবলৈ চেষ্টা কৰে। তেতিয়া সি/তাই ঠগামিৰ আশ্ৰয় লয়। এই ঠগামি হৈছে বহু ছাত্ৰই অনুসৰণ কৰা এটা অতি সাধাৰণ আচৰণ।

ছাত্ৰ-ছাত্ৰীৰ বিশৃংখলতাৰ কাৰণ বহুতো আছে আৰু বহু প্ৰকাৰৰ আছে। প্ৰত্যেকৰে কাৰণ নিৰ্ধাৰণ কৰাটো অসুবিধা। শ্ৰেণীকোঠাৰ বিভিন্ন অৱস্থাত পোৱাকাৰণবোৰ বেছিভাগ শ্ৰেণীকোঠাৰ পৰিৱেশৰ লগত জড়িত। বেয়া বা আৰমহীন ভৌতিক অৱস্থা যেনে- পোহৰ আৰু ভেণ্টিলেচনৰ দুৰ্ব্যৱস্থা আৰু অত্যন্ত গৰম বা সেমেকা কোঠাই ছাত্ৰ-ছাত্ৰীৰ মাজত বিৰামহীন মনোভাৱ আনে আৰু আন্দোলনৰ ভাব জগাই তোলে। দেখা গৈছে যে কিছুমান ছাত্ৰৰ দলে অন্যতকৈ বেছি সমস্যা দেখুৱায়। এইটোও লক্ষ্য কৰা হৈছে যে এটা শ্ৰেণীত যেতিয়া বেছি সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে ভাল কৃতিত্ব দেখুৱাব নোৱাৰা আৰু ধীৰ শিকাৰু বেছি থাকে, এই ধৰণৰ শ্ৰেণীবোৰ অন্য শ্ৰেণীতকৈ বেছি সমস্যামূলক হয়। আকৌ বিশৃংখলৰ ঘটনাবোৰ বেছিভাগেই ছোৱালীতকৈ ল'ৰাৰ ক্ষেত্ৰতহে পোৱা যায়। শৈক্ষিক অনুত্তীৰ্ণতাইও কু আচৰণ সৃষ্টি কৰিব পাৰে। কু আচৰণে বেয়া ফল দেখুৱায় বা দুৰ্বল গ্ৰেড দি শাস্তি হিচাপে গণ্য কৰা হয়। শিক্ষক কিছুমানে সৃষ্টি কৰা বিশৃংখলতাৰ কাৰণবোৰ হ'ল— দুৰ্বল/বেয়া শিক্ষণ, ৰুক্ষ ব্যৱহাৰ, বৈষম্যমূলক আচৰণ আৰু ছাত্ৰ-ছাত্ৰীৰ সমস্যাৰ প্ৰতি উদাসীনতা।


টোকা

**কাৰ্যকলাপ- ৬**

প্ৰত্যেকৰে সাম্ভাব্য কাৰণ দৰ্শাই আপোনাৰ শ্ৰেণীকোঠাত সন্মুখীন হোৱা আদৰ্শমূলক বিশৃংখলৰ সমস্যাবোৰক এখন তালিকা প্ৰস্তুত কৰক।

.........................................................................................................

.........................................................................................................

.........................................................................................................

এইটো স্পষ্ট যে শ্ৰেণীকোঠাত বিশৃংখলতাৰ সমস্যা ৰোধ কৰিবলৈ হ'লে শ্ৰেণীকোঠাৰ ফলপ্ৰসূ ব্যৱস্থাপনা অতি দৰকাৰী। যদি শিক্ষকজনে পাঠটো ভালকৈ উপস্থাপন কৰে, প্ৰত্যেকগৰাকী ছাত্ৰ-ছাত্ৰীৰ সম্পূৰ্ণ মনোযোগ আকৰ্ষণ কৰিব পাৰে, আৰু ফলদায়ক কাৰ্যকলাপত ব্যস্ত ৰাখিব পাৰে, তেতিয়া হ'লে ছাত্ৰ-ছাত্ৰীসকল বিশৃংখলমূলক কামত ব্যস্ত থকাৰ কম সুবিধা থাকিব।

**উশৃংখলযুক্ত কৰ্মক বাধা দিবৰ বাবে পদ্ধতিসমূহ ঃ**

শ্ৰেণীকোঠাত উশৃংখলযুক্ত কৰ্মক বাধা দিয়াৰ বাবে থকা বিভিন্ন পদ্ধতিৰ কিছুমান তলত দিয়া হ'ল—

- কৰ্মভিত্তিক মনোভাব অৱলম্বন কৰক-

  ছাত্ৰ-ছাত্ৰীসকলক প্ৰত্যাহ্বানযুক্ত আৰু আমোদজনক কামত ব্যস্ত কৰক।
- বিশ্বাস ঃ এইটো উপলব্ধি কৰা উচিত যাতে সকলো দুষ্কাৰ্যই আপোনাক অনুসৰণ নকৰে। ব্যক্তিগত আক্ৰমণৰ দৰে দুষ্কাৰ্য আপুনি নকৰিব।
- ছাত্ৰ-ছাত্ৰীক প্ৰশংসা আৰু উদগণি জনাওক ছাত্ৰ-ছাত্ৰীৰ দক্ষতা, ভাল ব্যৱহাৰ আৰু অন্য ধনাত্মক গুণবোৰ প্ৰশংসা কৰিবলৈ সামৰ্থৰ উন্নীত কৰক।
- অপ্ৰয়োজনীয় দ্ব্যৰ্থকতা ত্যাগ কৰক ঃ

  আপুনি শ্ৰেণীকোঠা পৰিচালনা কৰিবলৈ বাধ্য হ'বলৈ আৰু সীমাৰ ভিতৰত ৰাখিবলৈ দীঘল তালিকা দিয়াৰ পৰা বিৰত থাকক।
- **ছাত্ৰ-ছাত্ৰীৰ লগত আলোচনাৰ জৰিয়তে নিয়ম বান্ধি দিয়ক ঃ**

  এইটোৰে ছাত্ৰ-ছাত্ৰীক আপোনতাৰ মনোভাব জগাই তুলিব। ফলপ্ৰসূ শিক্ষকে নিয়মৰ প্ৰয়োজনৰ বাবে উপযুক্ত কাৰণ সমূহ ছাত্ৰ-ছাত্ৰীৰ লগত আলোচনা কৰিব। প্ৰত্যেক নিয়মৰ বাবে যুক্তিপূৰ্ণ ব্যাখ্যা দিব আৰু এই নিয়মবোৰে শ্ৰেণীকোঠা সুন্দৰ কৰি ছাত্ৰ-ছাত্ৰীক সফল হোৱাত সহায় কৰিব।



টোকা

- অপ্ৰিয় অৱস্থাবোৰ কম কৰিবলৈ নিশ্চিত হওক ঃ

  বিভিন্ন কাৰক - যেনে - ঠাইৰ সুবিধা, পোহৰৰ সুবিধা, পৰ্যাপ্ত সামগ্ৰী উপলব্ধ হ'ব লাগিব আৰু সময়ৰ হেঁচা আৰু অন্যান্য বিৰক্তিকৰ কামবোৰ সাৱধানে কৰিব লাগিব।

- ছাত্ৰ-ছাত্ৰীক কাৰ্যকলাপ কৰিবলৈ দিওতে খেলিমেলি কমকৈ কৰক ঃ

  ছাত্ৰ-ছাত্ৰীসকলক কাম কৰি আগুৱাই যাবলৈ সক্ষম হ'বলৈ স্পষ্ট নিৰ্দেশনা দিবই লাগিব।

- ছাত্ৰ-ছাত্ৰীৰ কামৰ প্ৰতি যত্নপৰ হোৱাৰ প্ৰতি নজৰ দিয়ক ঃ ছাত্ৰ-ছাত্ৰীৰ ভাগৰ আৰু অসহ্যকৰ কামে বিশৃংখল আনে। সেইবাবে বিভিন্ন প্ৰকাৰৰ প্ৰত্যাহ্বানযুক্ত কাম দিয়ক আৰু বিৰাগ আৰু জিৰণিহীন হোৱাৰ আগতে এটা কামৰ পৰা আন এটা কাম কৰিবলৈ যাওঁতে সুন্দৰভাৱে সময় নিয়ন্ত্ৰণ কৰক।

- সম্পূৰ্ণ দলৰ লগত সম্পৰ্ক ৰাখক —

  যদিও অপোনাৰ মনটো কেতিয়াবা এগৰাকী ছাত্ৰৰ সমস্যাৰ প্ৰতিহে ধাৱমান হয় তথাপিও আপুনি দলটোৰ সৈতে সম্পৰ্ক ৰাখক। শিকাই থাকোতে শ্ৰেণীকোঠাত ইফাল-সিফাল কৰি থাকক। ছাত্ৰ-ছাত্ৰীয়ে তেওঁলোকক সাৱধানে মন দিয়া নাই বুলি ভবা উচিত নহয়।

- শ্ৰেণীকোঠাত যুক্তিপূৰ্ণ সীমাৰ ভিতৰত থাকক— ছাত্ৰ-ছাত্ৰীৰ লগত খুউব বেছি প্ৰিয় হোৱাৰ প্ৰয়োজন নাই।

## ৫.৫ ব্যৱস্থাপক হিচাপে শিক্ষকৰ ভূমিকা ঃ

শ্ৰেণীকোঠা ব্যৱস্থাপনাত শিক্ষকৰ ভূমিকা ব্যৱস্থাপক বা পথ প্ৰদৰ্শক হোৱাটো প্ৰয়োজনীয়। আমি জানো যে এগৰাকী ব্যৱস্থাপকে সিদ্ধান্ত ল'বলৈ, যিকোনো পৰিৱেশ নিয়ন্ত্ৰণ কৰিবলৈ আৰু ভালকৈ কাম কৰিবলৈ, সিদ্ধান্ত সলনি কৰিবলৈ, সামৰ্থ আৰু অনবৰত সক্ৰিয় হোৱাৰ (অৱস্থাৰ প্ৰয়োজন অনুসৰি) প্ৰয়োজন। এগৰাকী শিক্ষকৰ ব্যৱস্থাপক হিচাবে ভূমিকা বুজোঁ আহক-

এটা শ্ৰেণীকোঠাত শিক্ষক এগৰাকীয়ে বিভিন্ন ভূমিকা পালন কৰে কিন্তু ইয়াৰ বেছিভাগেই এগৰাকী ব্যৱস্থাপকৰ লগত সম্বন্ধযুক্ত।

ফলপ্ৰসু শিক্ষণ-শিকন প্ৰক্ৰিয়া বেয়াকৈ ব্যৱস্থাপনা কৰা শ্ৰেণীকক্ষত নঘটে। যদি ছাত্ৰগৰাকীয়ে অস্বাভাৱিক আৰু অসন্মানীয় ব্যৱহাৰ কৰে আৰু কোনো নীতি নিয়ম নামানে, এই পৰিৱেশত ফলাফল শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰী দুয়োপক্ষই ভুগিবলগীয়া হয়। শিক্ষকে শিকাবলৈ কষ্ট কৰে হয় কিন্তু ছাত্ৰ-ছাত্ৰীয়ে যিমান শিকিব


টোকা

লাগে সিমান নিশিকে। বৰং ভালকৈ পৰিচালনা কৰা শ্ৰেণীকোঠা এটাই শিক্ষণ-শিকন সুন্দৰভাৱে হ'ব পৰাকৈ এটা পৰিৱেশ সৃষ্টি কৰে। কিন্তু সুন্দৰকৈ ব্যৱস্থাপনা কৰা শ্ৰেণীকোঠাত এনেধৰণৰ সুন্দৰ পৰিৱেশ সৃষ্টি কৰাটো এক প্ৰয়াসহে, আৰু ইয়াৰ বাবে আটাইতকৈ দায়িত্বশীল ব্যক্তিজনেই হ'ল শিক্ষক।

আমি এগৰাকী ব্যৱস্থাপক হিচাপে শিক্ষকৰ কিছুমান ভূমিকা আলোচনা কৰোঁ আহক—

- ফলপ্ৰসু শ্ৰেণীকোঠাৰ কৃতিত্বৰ বাবে শিক্ষক এগৰাকীয়ে শিকন কাৰ্যকলাপ, সামগ্ৰীৰ সুবিধা, বহাৰ সাজোন, মূল্যায়ন/অভীক্ষণৰ পদ্ধতি আগতীয়াকৈ নিৰ্ভুলভাৱে পৰিকল্পনা কৰি ল'ব লাগে।
- ছাত্ৰ-ছাত্ৰীয়ে যাতে আটাইতকৈ ভালদৰে কৃতিত্ব লাভ কৰিব পাৰে তাৰ বাবে শিক্ষক এগৰাকীয়ে শ্ৰেণীকোঠাত এটা বন্ধুসুলভ শিকন পৰিৱেশ সৃষ্টি কৰাটো নিশ্চিত হ'বই লাগিব। ব্যৱস্থাপকৰ দৰে শিক্ষক এগৰাকীয়ে ছাত্ৰ-ছাত্ৰীৰ শাৰীৰিক আৰাম আৰু নিৰাপত্তাৰ বাবে যত্নপৰ হ'বই লাগিব।
- ব্যৱস্থাপকৰ দৰে যিজনে একেলগে কামবোৰ প্ৰত্যেককে এটা দলত একেলগে কৰাটো নিশ্চিত কৰে, শিক্ষক এগৰাকীয়েও শ্ৰেণীকোঠাত প্ৰত্যেক ছাত্ৰ-ছাত্ৰীৰ অংশগ্ৰহণৰ অধিকাৰ, সংগঠনৰ অধিকাৰ আৰু তথ্য জনাৰ অধিকাৰ বুজাটো নিশ্চিত কৰিবই লাগিব।
- বিষয়বস্তু আৰু শিক্ষণ-শিকন পদ্ধতিত থকা সুস্থ স্বীকৃত জ্ঞানে শিথিলতাৰে ছাত্ৰ-ছাত্ৰীক স্বাধীনভাৱে ভাবিবলৈ, যুক্তিপূৰ্ণ ব্যাখ্যা দিবলৈ আৰু পদ্ধতিৰ অভীক্ষা কৰিবলৈ উৎসাহ প্ৰদান কৰিব। ইয়াৰ জৰিয়তে শিকনৰ স্তৰ অধিক উচ্চ হ'ব। শিক্ষকগৰাকীয়ে ছাত্ৰ-ছাত্ৰীৰ লগত শ্ৰেণীকোঠাত এটা বন্ধুত্বপূৰ্ণ পৰিবেশত, গ্ৰাহকৰ সৈতে ব্যৱস্থাপকে কৰা বন্ধুত্বপূৰ্ণ ব্যৱহাৰৰ দৰে ব্যৱহাৰ কৰিবলগীয়া হয়।
- শিক্ষক গৰাকীৰ দয়ালু মনোভাব আৰু বিশেষ সক্ৰিয় ব্যৱস্থাই শিকন প্ৰক্ৰিয়াত সকলো ছাত্ৰ-ছাত্ৰীক ফলপ্ৰসু ব্যস্ততা (অংশগ্ৰহণ)ৰ বাবে উৎসাহিত কৰিব। যদি শিক্ষকগৰাকীয়ে দলত স্ব-দায়িত্ববোধ নিশ্চিত কৰে তেতিয়া শিকনৰ ফলাফল আটাইতকৈ ভাল হয়।
- গৃহকৰ্ম, শ্ৰেণীকৰ্ম কৰিবলৈ দি, কাৰ্যকলাপৰ উন্নতি পৰীক্ষা কৰি, কৃতিত্ব মূল্যায়ন কৰি, ছাত্ৰ-ছাত্ৰীৰ পাৰদৰ্শিতাৰ গুণাগুণৰ ওপৰত (প্ৰতিপুষ্টি) দি ছাত্ৰ-ছাত্ৰীৰ শিকন ক্ৰমশঃ ভাল হোৱাতো নিশ্চিত কৰিব পাৰি। এগৰাকী ভাল ব্যৱস্থাপকে/প্ৰবন্ধকে



টোকা

সদায় ব্যক্তিক ভাল কৃতিত্ব দেখুৱাবৰ বাবে উৎসাহ যোগায়।

- কোনো সংগঠনৰ ব্যৱস্থাপকৰ দৰে কোনো বিশৃংখলৰ পদ্ধতিত শৃংখলা পৰিচালনা কৰাৰ সুবিধা দিয়াৰ দৰে, শিক্ষকে শ্ৰেণীকোঠাত শৃংখলা নিশ্চিত কৰা উচিত। 'শৃংখলাক' শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীৰ মাজত পাৰস্পৰিক সন্মানৰ বান্ধোন পৰিচালনা কৰাৰ বাবে সূচক হিচাপে গণ্য কৰা হয় নিয়ম বা শাস্তি হিচাপে নহয়।

আগলৈ যোৱাৰ পূৰ্বে তলৰ প্ৰশ্নবোৰৰ উত্তৰ কৰক ঃ

## E. ৯. তলৰ কোনটো শ্ৰেণী কোঠাত শৃংখলা বজাই ৰখাৰ বাবে আটাইতকৈ ভাল উপায়?

(ক) ছাত্ৰ-ছাত্ৰীৰ মাজৰ এগৰাকী শক্তিশালী/বলবান ছাত্ৰ (যিয়ে শৃংখলা ৰক্ষাত সহায় কৰে) থাকিলে—

(খ) শ্ৰেণীত শিকোৱা বিষয়ৰ ওপৰত বিভিন্ন ধৰণৰ কাৰ্যকলাপ কৰিবলৈ দি

(গ) ছাত্ৰ-ছাত্ৰীক কষ্টৰ পোৱাৰ পৰা বিৰত ৰাখি/পৃথক কৰি।

(ঘ) সমস্যামূলক ছাত্ৰৰ শিকন শুদ্ধ কৰিবলৈ অধিক সময় কটাই।

## ৫.৫.১ শিক্ষা অধিকাৰ আইন আৰু শিক্ষক

মুক্ত আৰু বাধ্যতামূলক শিক্ষা আইন ২০০৯ (বা শিক্ষা অধিকাৰ আইন বা RTE Act)ৰ প্ৰতি শিশুৰ অধিকাৰৰ বাবে দৰকাৰী ব্যৱস্থা আৰু প্ৰাথমিক বিদ্যালয়ত কাম কৰি থকা শিক্ষক-শিক্ষয়িত্ৰীৰ বাবে এইবোৰ ব্যৱহাৰ হৈ আহিছে।

এগৰাকী শিক্ষক হিচাপে এই ব্যৱস্থাটোৰ সম্পূৰ্ণ জ্ঞান থকাৰ প্ৰয়োজন আৰু এই ব্যৱস্থাবোৰ বিপথে নিনিবৰ বাবে সফলৰ বাবে যত্নপৰ হোৱাৰ প্ৰয়োজন আছে। আনহাতে শিশুৰ শিক্ষাৰ অনিষ্ট সাধন কৰি, আপুনি অসুবিধাৰ সন্মুখীন হ'ব পাৰে আৰু নীতিগত শাস্তি পাব পাৰে। আইনখনৰ প্ৰতিটো শাখাৰ সৈতে আপুনি পৰিচিত হোৱাৰ প্ৰয়োজন। RTE আইনৰ চতুৰ্থ অধ্যায়ৰ ২৪ আৰু ২৯ শাখাত শিক্ষকৰ বিশেষ দায়িত্ববোধৰ কথা উল্লেখ আছে যিবোৰৰ অনিয়ম হ'লে আইনমতে শাস্তি হ'ব পাৰে। এই ব্যৱস্থাবোৰ তলত দিয়া ধৰণৰ—

**(২৪ শাখা) ঃ**

১। কেন্দ্ৰীয় চৰকাৰৰ কৰ্তৃত্ব অনুসৰি আৰু শৈক্ষিক কৰ্তৃপক্ষই নিৰ্দিষ্ট কৰি দিয়া ন্যূনতম অৰ্হতা অনুসৰি শিক্ষক নিযুক্তি দিয়া হয় আৰু শিক্ষকগৰাকীয়ে তলত



টোকা

দিয়া কামবোৰ কৰিব লাগে। কামবোৰৰ নামবোৰ হ'ল—

(ক) বিদ্যালয়ত সদায় নিয়মিতভাবে উপস্থিত থকা।

(খ) উপ শাখা (২) আৰু ২৯ শাখা (তলত দিয়া মতে)ৰ ব্যৱস্থা অনুসৰি পাঠ্যক্ৰম শেষ কৰা আৰু পৰিচালনা কৰা।

(গ) বিশেষ সময়ৰ ভিতৰত সম্পূৰ্ণ কাৰিকুলাম শেষ কৰা।

(ঘ) প্ৰতিগৰাকী ছাত্ৰৰ শিকন সামৰ্থ কৰা, অভীক্ষা মূল্যায়ন কৰা আৰু যদি প্ৰয়োজন হয়, অতিৰিক্ত নিৰ্দেশ বা যোগান অনুসৰি মূল্যায়ন কৰা।

(ঙ) অভিভাৱক আৰু পিতৃ-মাতৃৰ লগত নিয়মিত সভা পাতি আৰু উপস্থিতিৰ নিয়মানুবৰ্তিতা/নিয়মিত উপস্থিতি সম্পৰ্কে, শিকন সামৰ্থ সম্পৰ্কে, শিকনৰ অগ্ৰগতি আৰু ছাত্ৰ-ছাত্ৰীৰ অন্যান্য প্ৰাসংগিক তথ্যৰ বিষয়ে জনোৱা।

(চ) উল্লেখিত থাকিব পৰা অন্যান্য কাম/কৰ্তব্য কৰিব।

২। উপশাখা (১) ত থকা কৰ্তব্যৰ কৃতিত্ব অৰ্জন কৰিবলৈ বিফল হোৱা শিক্ষক আইন মতে দণ্ডনীয় হ'ব। আইনগত ব্যৱস্থা লোৱাৰ আগতে যুক্তিপূৰ্ণ সুবিধা কিছুমান এনে ধৰণৰ শিক্ষকক দিয়া হ'ব।

৩। সমস্যা সমাধান হ'লে সুধি অনুযায়ী শিক্ষকজনক উল্লেখিত ধৰণে পুনৰ আগৰ ঠাইলৈ অনা হয়।

**শাখা- ২৯**

কাৰিকুলাম আৰু মূল্যায়ন পদ্ধতিৰ প্ৰস্তুতকৰণৰ বাবে কিছুমান বিবেচনা কৰক- যিবোৰ শিক্ষক এগৰাকীয়ে প্ৰত্যক্ষভাৱে ব্যৱহাৰ কৰিব পাৰে। এইবোৰ হ'ল—

- ছাত্ৰ-ছাত্ৰীৰ সামগ্ৰিক বিকাশৰ বাবে যথেষ্ট যত্ন লওক (উপ-শাখা ২ক (২৬))
- ছাত্ৰ-ছাত্ৰীৰ জ্ঞান, সামৰ্থ আৰু সাহস গঢ়ক (উপ শাখা ২ চি)
- ছাত্ৰ-ছাত্ৰীৰ শাৰীৰিক আৰু মানসিক অৱস্থাৰ সম্পূৰ্ণ বিকাশ (উপ শাখা ২ ডি), কৰক—
- কাৰ্যকলাপৰ জৰিয়তে শিকন ঃ পৰীক্ষা পৰ্যবেক্ষণ, অনুসন্ধান, আলোচনা, শিশু-বন্ধুসুলভ অৱস্থাৰ বিকাশ আৰু শিশু কেন্দ্ৰিক প্ৰকৃতি নিশ্চিত (উপ শাখা ২ ই) কৰক-
- যিমান পাৰি সম্ভৱতঃ নিৰ্দেশনাৰ মাধ্যম, শিশুৰ মাতৃভাষা কৰক (উপ শাখা ২এফ)
- ছাত্ৰ-ছাত্ৰীক ভয়মুক্ত, মনোকষ্ট আৰু যন্ত্ৰণাৰ পৰা মুক্ত কৰক আৰু মতামত মুক্তভাৱে প্ৰকাশ কৰাত সহায় কৰক - (উপ শাখা ২জি)



টোকা

- ছাত্ৰ-ছাত্ৰীৰ জ্ঞান বোধ, অবিৰত আৰু সামগ্ৰিক মূল্যায়ন আৰু এইবোৰ ব্যৱহাৰ কৰাৰ বাবে সামৰ্থ (উপ শাখা 2h )কৰক।

৫.৫.২ শাখাত শ্ৰেণীকোঠাৰ ব্যৱস্থাপনা আলোচনা কৰোঁতে, বিশৃংখলতা আৰু শাস্তিৰ বিষয়ে আলোচনা কৰা হৈছে। বহু শিক্ষক বহু স্থায়ী সদস্য আৰু প্ৰায় বৃহৎ সংখ্যক পিতৃ-মাতৃয়ে বলপূৰ্বকভাবে কিশোৰসকলক বিপথে পৰিচালিত হোৱাৰ বাবে যিকোনো প্ৰকাৰে প্ৰতিৰোধক হিচাপে শাৰীৰিক শাস্তিত বিশ্বাস কৰে। এইটো লক্ষণীয় যে বহু ক্ষেত্ৰত ধনাত্মক ফল পোৱাতকৈ অধিক ঋণাত্মক ফল পোৱা গৈছে। ছাত্ৰ-ছাত্ৰীৰ কেতিয়াবা অপূৰণীয় ক্ষতি হৈছে, শাৰীৰিক আৰু মানসিকভাৱে ক্ষতি হৈছে। ইয়াৰ কু-প্ৰভাৱলৈ মন কৰি বহু ৰাজ্য চৰকাৰে বিদ্যালয়ত শাৰীৰিক শাস্তি বন্ধ কৰি দিয়ে।

R.T.E 2009 Act (আৰ.টিই. আইন ২০০৯)য়ে বিশেষভাৱে যিকোনো শাৰীৰিক শাস্তিৰ বিপক্ষত থিয় দিছে। এই ব্যৱস্থাটো হ'ল—

**(শাখা -১৭) ঃ**

১। কোনো ছাত্ৰ-ছাত্ৰীক শাৰীৰিক শাস্তি বা মানসিক অত্যাচাৰ কৰা নহ'ব।

২। যিজনে উপ শাখা(১)ৰ ব্যৱস্থা উলংঘন কৰে—

১। এই কৰ্মনীতিৰ অধীনত এই ধৰণৰ লোকৰ বাবে আইনগত ব্যৱস্থা লোৱা হ'ব।

শিক্ষক হিচাপে এই ব্যৱস্থাবোৰ উলংঘন কৰিলে ফলাফলৰ বাবে সাৱধান হোৱা প্ৰয়োজন আৰু আমি বহু সংজ্ঞানাত্মক আৰু আনন্দদায়ক পৰিৱেশত বিভিন্ন পদ্ধতি ব্যৱহাৰ কৰি আৰু শিকণ সামগ্ৰী ব্যৱহাৰ কৰি আৰু মূল্যায়নৰ (যিবোৰ শিশু সুলভ বন্ধুত্বপূৰ্ণ আৰু শিশুকেন্দ্ৰিক) বাবে আমি বিদ্যালয়লৈ অহা ছাত্ৰ-ছাত্ৰীৰ সামগ্ৰিক বিকাশৰ বাবে প্ৰাণপণে চেষ্টা কৰা উচিত।

## ৫.৬. আমি কি শিকিলোঁ

- ফলপ্ৰসু শিকনৰ বাবে ফলপ্ৰসু শ্ৰেণীকোঠাৰ আগতীয়া ব্যৱস্থাপনা কৰা অতি দৰকাৰী (আগতীয়া)।
- শিক্ষকে বিভিন্ন কাৰ্যকলাপ শ্ৰেণীকোঠাত কৰে, যেনে- সম্পূৰ্ণ শ্ৰেণীৰ কাৰ্য, সৰু দলৰ কাৰ্য আৰু স্ব শিকন কাৰ্য। প্ৰত্যেক কাৰ্যৰ বাবে বিভিন্ন ব্যৱস্থাপনাৰ কৌশলৰ প্ৰয়োজন।
- শ্ৰেণীকোঠা এটাৰ ভাল শিশুসুলভ বন্ধুত্ব পূৰ্ণ শাৰীৰিক পৰিৱেশ আৰু শিক্ষক-



টোকা



শিশুৰ মাজত থকা সম্পৰ্ক, শিশু আৰু শিশুৰ মাজত থকা সম্পৰ্কই ছাত্ৰ-ছাত্ৰীৰ শিকন নিশ্চিত কৰে।

- দলীয় শিকনৰ বাবে ছাত্ৰ-ছাত্ৰীসকলক সামৰ্থ, আগ্ৰহ আৰু পছন্দৰ ওপৰত নিৰ্ভৰ কৰি সৰু সৰু দলত ভাগ কৰক।
- শ্ৰেণীৰ সময়ৰ পৰিকল্পনা কৰিব লাগিব আৰু সযতনে শ্ৰেণীকোঠা সংগঠন কৰিবই লাগিব। যাতে বেছিভাগ সময় ছাত্ৰ-ছাত্ৰীয়ে শিকনত ব্যস্ত হৈ থাকে।
- কাৰ্যকলাপৰ প্ৰকৃতি অনুসৰি বহাৰ সাজোন হোৱা উচিত। আনকি কাম কৰি থাকোতে এবাৰতকৈ বেছি বহাৰ সাজোন (ঠাই সলনি) হ'বও পাৰে।
- ছাত্ৰ-ছাত্ৰীক অভিৰোচিত কৰিবৰ বাবে শিক্ষকে কিছুমান কৌশল অৱলম্বন কৰিবই লাগিব, কৌশলবোৰ হ'ল— ছাত্ৰ-ছাত্ৰীক সক্ৰিয় কৰা, ছাত্ৰ-ছাত্ৰীক প্ৰশংসা কৰা, ছাত্ৰ-ছাত্ৰীক আনন্দদায়ক আৰু প্ৰত্যাহ্বানযুক্ত কাম কৰিবলৈ দিয়া, বিভিন্ন কাৰ্যকলাপত অংশগ্ৰহণ কৰিবৰ বাবে জড়িত কৰা আৰু উৎসাহিত কৰা।
- শ্ৰেণীকোঠাত শৃংখলা বজাই ৰাখিবলৈ ছাত্ৰ-ছাত্ৰীৰ সহায়ত কিছুমান নিয়ম বান্ধি দিয়ক আৰু এই নিয়মবোৰ মনাবলৈ চেষ্টা কৰক।
- শিক্ষা অধিকাৰ আইন ২০০৯ এ এটা শিশুসুলভ বন্ধুত্বপূৰ্ণ পৰিৱেশত ছাত্ৰ-ছাত্ৰীৰ সামগ্ৰিক বিকাশ হোৱাৰ ক্ষেত্ৰত এগৰাকী শিক্ষকৰ ভূমিকা আৰু কাম বিশেষভাৱে দেখুৱাই দিছে।

## ৫.৭ আপোনাৰ অগ্ৰগতিৰ নিৰীক্ষণৰ বাবে আৰ্হি উত্তৰ ঃ

**E. ১. ছাত্ৰ-ছাত্ৰী, শিক্ষক আৰু সমল সামগ্ৰীকে ধৰি ভৌতিক অৱস্থাসমূহ**

**E. ২. নিয়মাধীন আৰু সামৰ্থমূলক (কাৰণ দৰ্শাওক)**

**E. ৩. (ক) প্ৰত্যেক ছাত্ৰক সক্ষম শিকাৰু হ'বলৈ চেষ্টা কৰিবলৈ সক্ষম কৰক।**

(খ) শিকনৰ বাবে ব্যক্তিগত প্ৰচেষ্টা আৰু কাম কৰিবলৈ আগ্ৰহ প্ৰয়োজন।

(গ) স্ব-শিকনসামগ্ৰীসমূহ বিস্তৃতভাৱে দূৰ শিকনৰ পাঠ্যক্ৰমত ব্যক্তিগতভাৱে/একক ছাত্ৰ-ছাত্ৰীৰ বাবে ব্যৱহাৰ কৰা হয়।

**E. ৪. (ক)**

**E. ৫. দলৰ সদস্যসকলৰ মাজত মুক্তভাৱে ভাৱৰ আদান-প্ৰদান সম্ভৱ হ'ব পৰাকৈ দল গঠন কৰা উচিত।**

**E. ৬. (ক) শিকাৰুসকলক কাম কৰাৰ বাবে আত্মবিশ্বাস গঢ়ি**

**(খ) দলৰ সদস্যসকলৰ মাজত আৰু অন্য দলৰ লগত ভাল বুজাশক্তি সৃষ্টি কৰি।**

*******